# সমল সমূহ

## Key resources

সমল সমূহ





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

মুক্ত শৈক্ষিক সমল (OER - Open Educational Resources) ৰ সহায়ত ভাৰতৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষকৰ শ্ৰেণীকোঠাৰ অনুশীলন উন্নত কৰাৰ বাবে শিক্ষক সমাজত শিক্ষাৰ্থীকেন্দ্ৰীক আৰু অংশগ্ৰহণসমূলক দৃষ্টিভংগী বিকশিত কৰি তোলাই হৈছে TESS- ইণ্ডিয়াৰ (টিছাৰ্চ ইডুকেশ্বন থ্ৰ স্কুল-বেছড ছাপৰ্ট) ৰ লক্ষ্য। বিদ্যালয়ৰ পাঠ্যপুথিসমূহৰ সহায়ক হিচাপে TESS-ইণ্ডিয়াৰ OER এ শিক্ষক সমাজলৈ সহায়ৰ হাত আগবঢ়ায়। বিষয়ভিত্তিক জ্ঞান আৰু পাঠ পৰিকল্পনা তৈয়াৰ কৰাত শিক্ষকক সহায় কৰাৰ অৰ্থে সমলসমূহৰ দ্বাৰা যোগসূত্ৰ স্থাপন কৰা আৰু সমলত সন্নিৱিষ্ট কাৰ্যকলাপসমূহৰ সহায়ত আন শিক্ষকে পাঠদান কেনেদৰে কৰিছে তাৰ ঘটনা অধ্যয়ন সহ এই সমলসমূহত শিক্ষকৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সৈতে শ্ৰেণীকোঠাত অনুশীলন কৰিবলৈ বিভিন্ন ক্ৰিয়া-কলাপ আগবঢ়োৱা হৈছে।

TESS- ইণ্ডিয়াৰ OER দহটা মূল সমল গোটৰ দ্বাৰা সমৰ্থিত। সকলো বিষয় আৰু স্তৰৰ ক্ষেত্ৰত প্ৰযোজ্য এই মূল সমলসমূহে TESS- ইণ্ডিয়া OER আৰু ইণ্ডিয়া নীতিৰ আৰ্হিত প্ৰস্তুত শিক্ষণ বিজ্ঞানৰ মূল অনুশীলনসমূহৰ ওপৰত শিক্ষকসকলক ব্যৱহাৰিক নিৰ্দেশনা আগবঢ়াইছে। ইয়াত শিক্ষাৰ্থীৰ সংগঠিতকৰণ, শিক্ষণ কাৰ্যকলাপ, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থী-শিক্ষাৰ্থীৰ মাজৰ ভাব বিনিময় আদিৰ প্ৰণালী অন্তৰ্ভুক্ত কৰা হৈছে। এই মূল সমলসমূহৰ পৰা সাৰাংশখিনি সমূহত সন্নিৱিষ্ট কৰা হ'ব। শিক্ষক আৰু শিক্ষক প্ৰশিক্ষকৰ উদ্দেশ্য নিৰ্মাণ কৰা ৱেবছাইটতো এইসমূহ উপলব্ধ হৈ আছে।

TESS- ইণ্ডিয়া হ'ল দি অ'পেন ইউনিভাৰ্চিটি, গ্ৰেট ব্ৰিটেইনৰ দ্বাৰা পৰিচালিত আৰু গ্ৰেট ব্ৰিটেইন চৰকাৰৰ অৰ্থ-সাহাৰ্যপ্ৰাপ্ত।

সংস্কৰণ 2.0 KR01v1

তৃতীয় পক্ষৰ সামগ্ৰীসমূহক বাদ দি আৰু অইনভাৱে উল্লেখ নাথাকিলে এই সামগ্ৰী শ্বেয়াৰএলাইক লাইচেন্স নামৰ ক্ৰিয়েটিভ কমন এট্ৰিবিউশ্যন অধীনত উপলব্ধ ঃ http://creativecommons.org/licenses/by-sa/3.0/

# সামগ্ৰীসমূহ


1 পাঠৰ পৰিকল্পনাসমূহ ........................................................................... 2

2 সকলোকে জড়িত কৰা ........................................................................... 4

3 শিক্ষালাভৰ বাবে বাৰ্তালাপ ........................................................................... 7

4 যুৰীয়া কামৰ ব্যৱহাৰ ........................................................................... 9

5 চিন্তাৰ প্ৰচাৰৰ বাবে প্ৰ.নৰ প্ৰয়োগ ........................................................................... 10

6 নিৰীক্ষণ আৰু প্ৰতিত্ৰি য়া প্ৰদান ........................................................................... 14

7 দলগত কামৰ ব্যৱহাৰ ........................................................................... 17

8 অগ্ৰগতি আৰু কাৰ্যক্ষমতা মূল্যায়ন ........................................................................... 20

9 স্থানীয় সমলৰ ব্যৱহাৰ ........................................................................... 23

10 সাধুপাঠ, গীত, চৰিত্ৰাভিনয় আৰু নাটক........................................................................... 25

কৃতজ্ঞতা স্বীকাৰ ...........................................................................28

# 1 পাঠৰ পৰিকল্পনা

## পৰিকল্পনা আৰু প্ৰস্তুতি কিয় প্ৰয়োজনীয়

ভাল পাঠ এটা পৰিকল্পিত হোৱাতো প্ৰয়োজনীয়। পৰিকল্পনাই আপোনাৰ পাঠ এটা স্পষ্ট আৰু সঠিকভাৱে সময় উপযোগী কৰি তোলে যাতে ছাত্ৰ-ছাত্ৰী সত্ৰি য় আৰু আগ্ৰহী হ'ব পাৰে। ফলপ্ৰসূ পৰিকল্পনাত কেতবোৰ অন্তৰ্নিহিত নমনীয়তা (flexibility) থকাটোও সমানে প্ৰয়োজনীয় যাতে শিক্ষকজনে শিক্ষণৰ কালচোৱাত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত মুখামুখি হোৱা নানা বিষয়ত উপযুক্ত সঁহাৰি জনাব পাৰে। এলানি পাঠৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক জনা আৰু তেওঁলোকৰ পূৰ্বৰ শিক্ষা সম্পৰ্কে জ্ঞান আহৰণ কৰাটো অতিশয় প্ৰয়োজনীয়। ইয়াৰ জৰিয়তে পাঠ্যত্ৰ মৰ অগ্ৰগতি আৰু ছাত্ৰ-ছাত্ৰীক শিক্ষালাভত সহায় কৰাৰ বাবে ত্ৰি য়া-কলাপ আৰু উৎকৃষ্ট সামগ্ৰী বিচাৰি উলিওৱাত সহায় হয়।

পৰিকল্পনা হৈছে এটা অবিৰত প্ৰত্ৰি য়া যিয়ে আপোনাক স্বকীয় পাঠ অথবা এলানি পাঠ প্ৰস্তুত কৰাত সহায় কৰে য'ত প্ৰত্যেকটো পূৰ্বৱৰ্ত্তী পাঠৰ ওপৰত নিৰ্ভৰ কৰি পৰিকল্পনা প্ৰস্তুত কৰা হয়। পাঠ পৰিকল্পনাৰ স্তৰসমূহ হৈছে ঃ

- উন্নতিৰ বাবে আপোনাৰ ছাত্ৰ-ছাত্ৰীক কিহৰ প্ৰয়োজন সেই সম্পৰ্কে স্পষ্ট জ্ঞান
- ছাত্ৰ-ছাত্ৰীয়ে বুজি পোৱাকৈ আপুনি কেনেদৰে শিকাব আৰু আপুনি পোৱা ফলাফলৰ প্ৰতি সঁহাৰি জনাবলৈ কেনেদৰে নমনীয়তা বজাই ৰাখিব সেই সন্দৰ্ভত সিদ্ধান্ত লোৱা
- পাঠ কিমান সুকলমে প্ৰদান কৰা হৈছিল আৰু ছাত্ৰ-ছাত্ৰীসকলে কিমান ভালকৈ শিকিছে সেই কথা লক্ষ্য ৰাখি ভৱিষ্যত পাঠ পৰিকল্পনা প্ৰস্তুত কৰা

## এলানি পাঠৰ বাবে পৰিকল্পনা

এটা পাঠ্যত্ৰ ম অনুসৰণ কৰাৰ সময়ত পৰিকল্পনাৰ প্ৰথমটো অংশ হৈছে পাঠ্যত্ৰ মৰ অন্তৰ্গত বিষয়সমূহ শাখা অথবা থূপত ফলপ্ৰসূ হোৱাকৈ কেনেদৰে ভগাই ল'ব পাৰি সেই কথা বিবেচনা কৰা। আপুনি উপলব্ধ সময়, ছাত্ৰ-ছাত্ৰীৰ ত্ৰ মাগত অগ্ৰগতি, কৌশল আয়ত্ব তথা জ্ঞান আহৰণ কৰাৰ পদ্ধতি বিবেচনা কৰিব লাগিব। আপোনাৰ অভিজ্ঞতা আৰু সহকৰ্ম্মীৰ সৈতে কৰা আলোচনাৰ পৰা আপুনি জানিব পাৰিব যে এটা বিষয় পঢ়াওঁতে চাৰিটা পাঠ লগাৰ বিপৰীতে আন এটাই মাত্ৰ দুটা পাঠহে সামৰি ল'ব। অন্য বিষয়সমূহ সামৰি লোৱা অথবা বিষয় সম্প্ৰসাৰণৰ সময়ত ভৱিষ্যতৰ পাঠসমূহৰ বাবে আপুনি বিভিন্ন সময়ত বিভিন্ন পদ্ধতিৰ শিক্ষণলৈ ঘূৰি যাবলগীয়া হ'ব পাৰে। গতিকে, এই ক্ষেত্ৰত আপুনি সচেতন হৈ থাকিব লাগিব।

সকলো পাঠৰ পৰিকল্পনাত আপুনি স্পষ্ট হ'বলগীয়া বিষয়সমূহ হৈছে ঃ

- আপুনি ছাত্ৰ-ছাত্ৰীয়ে কি শিকাতো বিচাৰে
- সেই শিকন আপুনি কেনেদৰে অৱতাৰণা কৰিব
- ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব লাগিব আৰু কিয় কৰিব লাগিব

ছাত্ৰ-ছাত্ৰীৰ মনঃপুত হোৱাকৈ আৰু তেওঁলোকক অনুসন্ধিৎসু কৰি তুলিব পৰাকৈ শিক্ষাৰ প্ৰত্ৰি য়া আপুনি সত্ৰি য় তথা মনোগ্ৰাহী কৰি তুলিব লাগিব। পাঠলানিৰ মাজেৰে ছাত্ৰ-ছাত্ৰীক কি কৰিবলৈ দিয়া হ'ব সেইটো ঠিক কৰক যাতে আপুনি নমনীয়তা (flexibility) সহ ভিন্নতা আনিব পাৰে আৰু ছাত্ৰ-ছাত্ৰীৰ মনত আগ্ৰহ জন্মাব পাৰে। পাঠলানিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা অগ্ৰগতি আপুনি কেনেদৰে নিৰ্ণয় কৰিব সেয়া পৰিকল্পনা কৰক। যদি কিছুমান বিষয়ে অধিক সময় লয় বা কিছুমানে কম সময় লয় তেন্তে সাল-সলনিৰ বাবে সাজু থাকক।

## একক পাঠৰ প্ৰস্তুতি

পাঠলানিৰ পৰিকল্পনাৰ পিছত আপুনি প্ৰতিটো একক পাঠৰ পৰিকল্পনা কৰিব লাগিব **যিটো সেই নিৰ্দিষ্ট সময়ত ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা অগ্ৰগতিৰ ভিত্তিত প্ৰস্তুত কৰাৰ দৰকাৰ হ'ব**। এলানি পাঠৰ অন্তত ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব লাগিছিল বা কি শিকাত সমৰ্থ হ'ব লাগিছিল সেয়া আপুনি গম পায়, কিন্তু আপুনি কিবা অপ্ৰত্যাশিত বিষয়ৰ বিষয়ে পুনৰালোচনা কৰিবলগীয়া হ'ব পাৰে অথবা সোনকালে আগবাঢ়িবলগীয়া হ'ব পাৰে। সেয়ে সকলো একক পাঠ পৰিকল্পনা কৰি থোৱা দৰকাৰ যাতে আ'পোনাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হয় আৰু কৃতকাৰ্যতা তথা সকলোৰে লগত জড়িত থকাৰ অনুভৱ কৰিব পাৰে।

পাঠ পৰিকল্পনা কৰাৰ সময়ত এই কথাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে যে সকলো ত্ৰি য়া-কলাপৰ বাবে পৰ্যাপ্ত সময় থকাৰ উপৰিও ব্যৱহাৰিক ত্ৰি য়া-কলাপ অথবা সত্ৰি য় দলগত কামৰ বাবে সকলো সমল মজুত থাকে। বেছি ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীৰ বাবে পৰিকল্পনা কৰোঁতে বিভিন্ন দলৰ বাবে বিভিন্ন প্ৰ.ািৱলী তথা ত্ৰি য়া-কলাপ পৰিকল্পনা কৰাৰ প্ৰয়োজন হ'ব পাৰে।

নতুন বিষয় শিকাবৰ বাবে আপুনি নিজৰ মনত প্ৰত্যয় জন্মাবলৈ অনুশীলনত সময় দিয়াৰ লগতে আন শিক্ষকৰ লগত বিভিন্ন ধাৰণা সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজন।

তিনিটা অংশত আপোনাৰ পাঠসমূহ প্ৰস্তুত কৰাৰ কথা চিন্তা কৰক। এই অংশসমূহৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

## 1. আৰম্ভণি

এটা পাঠৰ আৰম্ভণিৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব আৰু কি কৰিব সেই সম্পৰ্কে ব্যাখ্যা কৰক যাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ পৰা কি আশা কৰা হৈছে সেই সম্পৰ্কে গম পায়। ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে কি জানে সেয়া তেওঁলোকৰ নিজৰ মাজত বিনিময়ৰ অনুমতি দি শিকনীয় বিষয়বস্তুৰ প্ৰতি আগ্ৰহী কৰি লওঁক।

## 2. পাঠৰ মূল অংশ

ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে কি জানে তাৰ ওপৰত ভিত্তি কৰি বিষয়বস্তুৰ ৰূপৰেখা তৈয়াৰ কৰক। আপুনি স্থানীয় সমল, নতুন তথ্য অথবা দলগত কাম অথবা সমস্যা সমাধান আদিৰ দৰে সত্ৰি য় পদ্ধতি ব্যৱহাৰ কৰাৰ কথা বিবেচনা কৰিব পাৰে। ব্যৱহাৰ কৰিবলগীয়া সমলসমূহ চিনাক্ত কৰক আৰু শ্ৰেণীকোঠাৰ ঠাইখিনি কেনেদৰে কামত ব্যৱহাৰ কৰিব সেয়া ঠিৰাং কৰক। বিভিন্ন ত্ৰি য়া-কলাপ, সমলৰ ব্যৱহাৰ আৰু সময়ানুৱৰ্তী হোৱাতো পাঠ পৰিকল্পনাৰ এক গুৰুত্বপূৰ্ণ অংশ। যদি আপুনি পদ্ধতি আৰু ত্ৰি য়া-কলাপত ভিন্নতা আনিব পাৰে তেন্তে আপুনি অধিক ছাত্ৰ-ছাত্ৰীৰ ওচৰ চাপিবলৈ সক্ষম হ'ব, কিয়নো তেওঁলোকে বিভিন্ন ধৰণে শিকে।

## 3. পাঠৰ শেষত শিকনৰ পৰীক্ষা কৰা

ছাত্ৰ-ছাত্ৰীৰ শিকন অগ্ৰগতিৰ উমান ল'বৰ বাবে সদায় সময় দিয়ক (পাঠদানৰ সময়খিনিত অথবা শেষত) পৰীক্ষা কৰাটোৱে সদায় পৰীক্ষা লোৱাতো নুবুজায়। পৰিকল্পিত প্ৰ.া বা ছাত্ৰ-ছাত্ৰীয়ে শিকাখিনি উপস্থাপন কৰাতো সাধাৰণতে তাৎক্ষণিক আৰু থিতাতে কৰাব পাৰি যদিও আপুনি নমনীয় হোৱাৰ পৰিকল্পনা কৰিবই লাগিব আৰু ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি অনুসাৰে সালসলনি ঘটাব লাগিব।

পাঠ এটা শেষ কৰাৰ ভাল উপায় হৈছে আৰম্ভণিৰ লক্ষ্যসমূলৈ উভতি গৈ শিক্ষালাভৰ অগ্ৰগতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰা আৰু তেওঁলোকৰ অনুভৱ বৰ্ণনা কৰাৰ সুযোগ দিয়া। ছাত্ৰ-ছাত্ৰীৰ মন্তব্য মনোযোগেৰে শুনিলে পৰৱৰ্তী পাঠৰ বাবে কেনেদৰে প্ৰস্তুতি চলাব লাগিব সেই সম্পৰ্কে আপুনি নিশ্চিত হ'ব পাৰিব।

## পাঠৰ পুনৰীক্ষণ

পৰৱৰ্তী পাঠসমূহৰ বাবে কৰা পৰিকল্পনা উন্নত বা সংশোধন কৰাত সুবিধা হ'বৰ বাবে পূৰ্বৰ পাঠসমূহ ৰোমন্থন কৰা আৰু ইতিমধ্যে কি কৰা হ'ল, আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে, কি সমল ব্যৱহাৰ কৰা হ'ল এই সকলো বিষয়ৰে খতিয়ান ৰাখক। উদাহৰণস্বৰূপে, আপুনি এই সিদ্ধান্তসমূহ ল'ব পাৰে ঃ

- ত্ৰি য়া-কলাপৰ পৰিৱৰ্তন কৰক অথবা ইয়াত ভিন্নতা আনক
- এলানি মুক্ত আৰু বন্ধ প্ৰ.া প্ৰস্তুত কৰক
- অতিৰিক্ত সহায়ৰ প্ৰয়োজন হোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে কাৰ্যৰ ধাৰাবাহিকতা ৰাখক।

ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত সহায়ক হ'ব পৰা আৰু কি অধিক পৰিকল্পনা আপুনি কৰিব পাৰিলেহেঁতেন সেইবিষয়ে চিন্তা-চৰ্চা কৰক। প্ৰতিটো পাঠ আগবাঢ়ি যোৱাৰ লগে লগে আপোনাৰ পাঠ পৰিকল্পনাৰ পৰিৱৰ্তন অনিবাৰ্য, কিয়নো ভৱিষ্যতে কি ঘটিব সেয়া সম্পূৰ্ণৰূপে পূৰ্বানুমান কৰা অসম্ভৱ। ভাল পাঠ পৰিকল্পনা বুলিলে বুজিব লাগিব যে, আপুনি কি শিক্ষা প্ৰদান কৰিব খোজে সেয়া আপুনি জানে আৰু সেয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত শিকন সম্পৰ্কে আপুনি যি বুজিলে তাৰ প্ৰতি সঁহাৰি জনাবলৈ নমনীয়ভাৱে আপুনি সাজু থাকিব লাগিব।

# 2 সকলোকে জড়িত কৰা

## ‘সকলোকে জড়িত কৰা’ কথাটোৰে কি বুজায়?

শ্ৰেণীকোঠাসমূহত সমাজ আৰু সংস্কৃতিৰ বৈচিত্ৰ্য প্ৰতিফলিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ ভাষা ভিন্ ভিন্ হয় আৰু তেওঁলোকৰ আগ্ৰহ আৰু সামৰ্থও ভিন্ন হয়। ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন সামাজিক আৰু অৰ্থনৈতিক পৰিৱেশৰ পৰা আহে। এই পাৰ্থক্যসমূহ আমি আওকান কৰিব নোৱাৰোঁ। দৰাচলতে, এই সকলো বৈচিত্ৰ্য আমি উদ্‌যাপন কৰা উচিত, কিয়নো এই সকলোবোৰ আমাৰ অভিজ্ঞতাৰ বাহিৰৰ পৃথিৱী আৰু পৰস্পৰক জনাৰ এক মাধ্যম হ’ব পাৰে। সকলো ছাত্ৰ-ছাত্ৰীৰে স্থিতি, সামৰ্থ আৰু পৰিৱেশ নিৰ্বিশেষে শিক্ষাৰ অধিকাৰ আছে আৰু এয়া ভাৰতীয় আইন তথা শিশুৰ আন্তঃৰাষ্ট্ৰীয় অধিকাৰৰ আধাৰত স্বীকৃত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০১৪ চনত দিয়া প্ৰথমটো ভাষণত জাতি, লিংগ অথবা আয় নিৰ্বিশেষে ভাৰতৰ সকলো নাগৰিককে সমদৃষ্টিৰে চোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই ক্ষেত্ৰত বিদ্যালয় আৰু শিক্ষকৰ ভূমিকা মহত্বপূৰ্ণ।

অন্য ব্যক্তি সম্বন্ধে আমাৰ সকলোৰে কিছুমান পূৰ্বধাৰণা থাকে যিবিলাক আমি কেতিয়াও পৰ্যালোচনা কৰি চোৱা নাই। এজন শিক্ষক হিচাপে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ অভিজ্ঞতাৰ ওপৰত ইতিবাচক অথবা নেতিবাচক প্ৰভাৱ পেলাব পৰা সক্ষমতা আপোনাৰ আছে। জনা-নজনাকৈয়ে আপোনাৰ পূৰ্বধাৰণা তথা দৃষ্টিভংগীয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি ভাৱে শিকিবলৈ সক্ষম হয় সেয়া প্ৰভাৱিত কৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অসমানতাপূৰ্ণ আচৰণৰ বিপক্ষে ৰক্ষক হিচাপে আপুনি পদক্ষেপ ল’ব পাৰে।

## শিকনত সকলোকে জড়িত কৰাতো নিশ্চিতকৰণৰ তিনিটা মূলনীতি

- **লক্ষ্য কৰক ঃ** দক্ষ শিক্ষক এজন একেধাৰে ভাল নিৰীক্ষক, অনুভৱী আৰু সংবেদনশীল। তেনে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া পৰিৱৰ্তন লক্ষ্য কৰে। আপুনি যদি এজন ভাল নিৰীক্ষক তেন্তে কেতিয়া এজন ছাত্ৰই কিবা এটা ভাল কাম সম্পন্ন কৰিছে, কেতিয়া তেওঁলোকক সহায়ৰ প্ৰয়োজন হয় আৰু তেওঁলোকে আনৰ সৈতে কেনেদৰে সম্পৰ্কিত হয় সেয়া নিশ্চিয়কৈ লক্ষ্য কৰিব। ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া পৰিৱৰ্তনৰ প্ৰতি আপুনি অনুভূতিশীল হ’ব পাৰে; যিবোৰে তেওঁলোকৰ ঘৰুৱা অৱস্থা অথবা আন সমস্যা প্ৰতিফলিত কৰিব পাৰে। সকলোকে জড়িত কৰা মানে হৈছে আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত দৈনিক নজৰ ৰখা, নিজকে উপান্ত শাৰীৰ বুলি অনুভৱ কৰা বা অংশগ্ৰহণ কৰাত অসমৰ্থ হোৱা ছাত্ৰ-ছাত্ৰীক বিশেষ মনযোগ দিয়া ।
- **আত্মমৰ্যাদাত গুৰুত্ব দিয়ক ঃ** নিজক লৈ সন্তুষ্ট হ’ব পৰা জনেই ভাল নাগৰিক। তেওঁলোকৰ আত্মমৰ্যাদাবোধ থাকে আৰু লগতে দুৰ্বলতাও থাকে। ইয়াৰ উপৰি পৰিৱেশ নিৰ্বিশেষে আন মানুহৰ লগত ইতিবাচক সম্পৰ্ক গঢ়াৰ সামৰ্থ থাকে। তেওঁলোকে নিজৰ লগতে আনকো সন্মান দিয়ে। এজন শিক্ষক হিচাপে এজন যুৱকৰ আত্মসন্মানবোধত আপোনাৰ তাৎপৰ্যপূৰ্ণ প্ৰভাৱ থাকিব পাৰে; সেই শক্তি সম্পৰ্কে সচেতন হওক আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে আত্মসন্মান গঢ়াত ইয়াক ব্যৱহাৰ কৰক।
- **নমনীয়তা ঃ** যদি আপোনাৰ শ্ৰেণীকোঠাত বিশেষ ছাত্ৰ-ছাত্ৰী, দল অথবা ব্যক্তিৰ কিবা এটা কাম হৈ উঠা নাই, তেন্তে আপোনাৰ পৰিকল্পনা সলনি কৰিবলৈ অথবা এটা ক্ৰিয়া-কলাপ বন্ধ কৰিবলৈ সাজু থাকক। ফলপ্ৰসূভাৱে সকলো ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ ব্যৱস্থা কৰাত নমনীয় হোৱাটোৱে আপোনাক সহায় কৰিব।

## সকলো সময়তে আপুনি ব্যৱহাৰ কৰিব পৰা পদ্ধতি

- **ভাল আচৰণৰ আৰ্হি ঃ** গোষ্ঠী সমুদায়, ধৰ্ম অথবা লিংগ নিৰ্বিশেষে আপোনাৰ সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ভাল আচৰণ প্ৰদৰ্শন কৰি তেওঁলোকৰ বাবে এক আদৰ্শ হওক। সকলো ছাত্ৰ-ছাত্ৰীকে সন্মান সহকাৰে আচৰণ কৰক আৰু আপুনি যে তেওঁলোকক গুৰুত্ব দিয়ে সেই কথা শিক্ষাদানৰ যোগেদি স্পষ্ট কৰক। তেওঁলোকৰ সৈতে সন্মান সহকাৰে কথা পাতক, তেওঁলোকৰ উপযুক্ত মতামতক গুৰুত্ব দিয়ক আৰু সকলোৰে লাভ হোৱা ধৰণৰ কাম কৰিবলৈ দি দায়িত্ব ল’বলৈ উৎসাহিত কৰক।
- **উচ্চ প্ৰত্যাশা ঃ** দক্ষতা কেতিয়াও স্থিৰ হৈ নাথাকে। সঠিকভাৱে সমৰ্থন আগবঢ়ালে সকলো ছাত্ৰ-ছাত্ৰীয়ে শিকিব পাৰে আৰু উন্নতি কৰিব পাৰে। যদি ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত আপুনি কৰি থকা কাম বুজি পোৱাত অসুবিধাৰ সন্মুখীন হয়, তেন্তে তেওঁলোকে কেতিয়াও বুজিবলৈ সক্ষম নহ’ব বুলি নাভাবিব। সকলো ছাত্ৰ-ছাত্ৰীয়ে শিকিব পৰাকৈ সহায় হোৱা ধৰণে কাম কৰাটোৱেই শিক্ষক হিচাপে আপোনাৰ ভূমিকা। আপুনি যদি আপোনাৰ শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ পৰা উচ্চ প্ৰত্যাশা ৰাখে,

তেতিয়া আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে উপলব্ধি কৰিব যে যদি তেওঁলোকে অধ্যৱসায় কৰে, তেন্তে তেওঁলোক শিকিবলৈ সক্ষম হ'ব। আচৰণৰ ক্ষেত্ৰতো উচ্চ প্ৰত্যাশা প্ৰযোজ্য। এই কথা নিশ্চিত কৰক যাতে সকলো প্ৰত্যাশা স্পষ্ট হয় আৰু ছাত্ৰ-ছাত্ৰীয়ে পৰস্পৰৰ প্ৰতি সন্মানপূৰ্বক আচৰণ কৰে।

- **আপোনাৰ শিক্ষণত ভিন্নতা আনক ঃ** ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন উপায়েৰে শিকে। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে লিখিবলৈ ভাল পায়; আন কিছুমানে তেওঁলোকৰ ধাৰণা উপস্থাপন কৰাৰ বাবে মনন চিত্ৰাৱলী বা ছবি আঁকি ভাল পায়। কিছুমান ছাত্ৰ-ছাত্ৰী ভাল শ্ৰোতা; কিছুমানে তেওঁলোকৰ ধাৰণা সম্পৰ্কত আলোচনা কৰিবলৈ সুবিধা পালে ভালদৰে শিকিব পাৰে। আপুনি সকলো ছাত্ৰ-ছাত্ৰীকে সকলো সময়তে সামৰি ল'ব নোৱাৰিব পাৰে, কিন্তু আপুনি আপোনাৰ শিক্ষণ পদ্ধতিত ভিন্নতা আনিব পাৰে যাতে সেই শিকন ত্ৰি য়া-কলাপৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে এটা ভালপোৱা পদ্ধতি গ্ৰহণ কৰিব পাৰে।
- **শিকনক দৈনন্দিন জীৱনত প্ৰাসংগিক কৰি তোলক ঃ** কিছুমান ছাত্ৰ-ছাত্ৰীয়ে আপুনি সোধা প্ৰ.ন তেওঁলোকৰ দৈনন্দিন জীৱনৰ ক্ষেত্ৰত অপ্ৰাসংগিক যেন অনুভৱ কৰিব পাৰে। তেওঁলোকক নিজস্ব অভিজ্ঞতাৰ পৰা উদাহৰণ দাঙি ধৰি প্ৰাসংগিক বিষয়ৰ লগত শিকনৰ যোগসূত্ৰ স্থাপন কৰি এই সমস্যা যথাসম্ভৱ সমাধান কৰিব পাৰে।
- **ভাষাৰ ব্যৱহাৰ ঃ** আপুনি ব্যৱহাৰ কৰা ভাষা সম্পৰ্কে সাৱধান হওক । ইতিবাচক ভাষা আৰু প্ৰশংসনীয় শব্দ ব্যৱহাৰ কৰক। ছাত্ৰ-ছাত্ৰীক কেতিয়াও ঠাট্টা-মস্কৰা নকৰিব। তেওঁলোকৰ ব্যৱহাৰৰ ওপৰতহে মন্তব্য কৰক, তেওঁলোকৰ ওপৰত নহয়। 'আজি তুমি বহুত আমনি দিছা'- এইধৰণৰ মন্তব্য খুবেই ব্যক্তি গত আৰু ইয়াক 'আজি তোমাৰ ব্যৱহাৰ খুব আমনিদায়ক যেন লাগিছে' বুলি কৈ ভালদৰে প্ৰকাশ কৰিব পাৰি। 'তুমি মনোযোগ দিয়াত টান পোৱাৰ কিবা কাৰণ আছে নেকি?'- এনেধৰণৰ কথা অধিক সহায়কাৰী হ'ব।
- **বদ্ধমূল ধাৰণাক প্ৰত্যাহ্বান জনাওক ঃ** ছোৱালীক অগতানুগতিক ৰূপত প্ৰদৰ্শন কৰিব পৰা সমল বিচাৰি উলিয়াই ব্যৱহাৰ কৰক অথবা মহিলা বিজ্ঞানী আদিক বিদ্যালয়লৈ আমন্ত্ৰণ জনাওক। আপুনি লিংগ সংত্ৰ ান্তীয় নিজৰ বদ্ধমূল ধাৰণা সম্পৰ্কে সচেতন হওক। আপুনি জানিব পাৰে যে ছোৱালীয়েও খেলা-ধূলাত ভাগ ল'ব পাৰে, আৰু ল'ৰাবিলাকেও প্ৰতিপাল কৰিব পাৰে। কিন্তু এয়া আমি সদায় বেলেগধৰণে প্ৰকাশ কৰোঁ, কিয়নো আমি এনেধৰণেই সমাজত অভ্যস্ত।
- **শিক্ষালাভৰ বাবে নিৰাপদ আৰু আদৰণিমূলক পৰিৱেশ সৃষ্টি ঃ** সকলো ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত নিৰাপদ আৰু আদৰণি লাভ কৰিব লাগে। প্ৰতিজনৰ পৰা স্বতঃস্ফূৰ্ত সন্মানপূৰ্বক আৰু বন্ধুত্বসুলভ ব্যৱহাৰৰ বাবে উৎসাহিত কৰি সকলোকে আদৰণি জনাব পৰা পৰ্যায়ত আপুনি আছে। বিদ্যালয় আৰু শ্ৰেণীকোঠা সম্পৰ্কে বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ অনুভৱ ভিন্ন হ'ব পাৰে, সেই কথা মনত ৰাখক। তেওঁলোকক ক'ত বহিবলৈ দিয়া উচিত হ'ব সেয়া ভাবক আৰু শাৰীৰিকভাৱে অসমৰ্থ ছাত্ৰ-ছাত্ৰীক এনে ঠাইত বহুৱাওক য'ৰ পৰা তেওঁলোকে পাঠ গ্ৰহণত অসুবিধা নাপায়। লাজকুৰীয়া অথবা সহজে মনযোগ বিকৰ্ষিত হোৱাসকলক আপোনাৰ ওচৰত বহিবলৈ দিয়ক।

## বিশেষ শিক্ষণ পদ্ধতিসমূহ

সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰাত আপোনাক সহায় কৰিব পৰাকৈ ভালেমান বিশেষ পদ্ধতি আছে। এই সকলো পদ্ধতি বিশদভাৱে আন মূল সমলত সামৰি লোৱা হৈছে যদিও ইয়াত তাৰ এক চমু আভাস দাঙি ধৰা হ'ল ঃ

- **প্ৰ.ন সোধা ঃ** আপুনি যদি ছাত্ৰ-ছাত্ৰীক হাত দঙাৰ বাবে আহ্বান জনায়, তেন্তে একেবোৰ ছাত্ৰ-ছাত্ৰীয়েই উত্তৰ দিয়াৰ সম্ভাৱনা থাকে। প্ৰ.নটোৰ বিষয়ে ভবা আৰু সঁহাৰি দিয়া কামটোত অধিক ছাত্ৰ-ছাত্ৰীক জড়িত কৰাৰ অইন পদ্ধতিও আছে। আপুনি প্ৰ.নসমূহ বিশেষ ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কৰিব পাৰে। শ্ৰেণীত কওক যে কোনে উত্তৰ দিব সেয়া আপুনি ঠিৰাং কৰিব, সন্মুখত বহি থকা কেইজনক সোধাতকৈ পিছফালে আৰু কোঠাৰ কাষভাগত থকা ছাত্ৰ-ছাত্ৰীক সোধক। ছাত্ৰ-ছাত্ৰীক 'ভবাৰ সময়' দিয়ক আৰু বিশেষ লোকৰ পৰা অৱিহণা বিচাৰক। আত্মপ্ৰত্যয় বঢ়াবৰ বাবে যুৰীয়া বা দলীয় কাৰ্য ব্যৱহাৰ কৰক যাতে সমগ্ৰ শ্ৰেণীৰ আলোচনাত সকলোকে জড়িত কৰোৱাব পাৰে।
- **মূল্যাংকন ঃ** গঠনমূলক মূল্যাংকনৰ বাবে কৌশল উদ্ভাৱন কৰক যিয়ে আপোনাক প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ভালদৰে জনাত সহায় কৰিব। সুপ্ত প্ৰতিভা জগাই তোলা আৰু অভাৱসমূহ দূৰ কৰাৰ বাবে আপুনি সৃষ্টিশীল হোৱাতো প্ৰয়োজন । স্বতঃসিদ্ধ ধাৰণাই আপোনাক কেতবোৰ ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ সামৰ্থৰ ভিত্তিত সাধাৰণীকৃত ধাৰণাযুক্ত মতামত

সৃষ্টি কৰাৰ বিপৰীতে গঠনমূলক মূল্যাংকনে সঠিক তথ্য লাভ কৰাত সহায় কৰিব। তেতিয়া আপুনি ব্যক্তিগত পৰ্যায়ত ছাত্ৰ-ছাত্ৰীক প্ৰয়োজন অনুসাৰে সঁহাৰি দিয়াৰ ক্ষেত্ৰত সুবিধা হ'ব।

- **দলীয় কাম আৰু যুৰীয়া কাম ঃ** সকেলাকে জড়িত কৰা আৰু পৰস্পৰক সন্মান কৰাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে আগত ৰাখি আপোনাৰ শ্ৰেণীক কেনেদৰে দলত ভগাব বা কেনেদৰে যোৰ তৈয়াৰ কৰিব সেই বিষয়ে সাৱধানে ভাবক। সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে পৰস্পৰৰ পৰা শিকাৰ সুযোগ পায় আৰু তেওঁলোকৰ জ্ঞান সম্পৰ্কে আত্মবিশ্বাস গঢ়ি উঠে সেইটো নিশ্চিত কৰক। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজৰ ধাৰণা সৰু দলত প্ৰকাশ কৰিব পাৰিব পাৰে বা প্ৰশ্ন কৰিব পাৰে, কিন্তু সমগ্ৰ শ্ৰেণীত সেয়া কৰিব নোৱাৰিবও পাৰে।
- **পৃথকীকৰণ ঃ** বিভিন্ন দলৰ বাবে বিভিন্ন কাম দিয়াটোৱে ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ বৰ্তমান স্থিতি অনুসাৰে আগবাঢ়ি যোৱাত সহায় কৰিব। মুক্তমুখী কাম কৰিবলৈ দিলে সকলো ছাত্ৰ-ছাত্ৰীয়ে সফল হোৱাৰ সুযোগ লাভ কৰিব। ছাত্ৰ-ছাত্ৰীক কামৰ মাজৰ পৰা বাছনি কৰাৰ সুযোগ দিলে তেওঁলোকে কামটো কৰাৰ দয়িত্ব অনুভৱ কৰিব আৰু নিজৰ শিক্ষালাভৰ দায়িত্বও মূৰ পাতি ল'ব। বিশাল শ্ৰেণী এটাত সকলোৰে ব্যক্তিগত পৰ্যায়ত শিক্ষালাভৰ প্ৰয়োজনীয়তাৰ বুজ লোৱাতো কঠিন কাম যদিও বিভিন্ন কৌশলৰ যোগেদি এয়া সম্ভৱ হৈ পৰে।

# 3 শিকনৰ বাবে বাৰ্তালাপ

## শিকনৰ ক্ষেত্ৰত বাৰ্তালাপ কিয় গুৰুত্বপূৰ্ণ

বাৰ্তালাপ হৈছে মানৱৰ ত্ৰ ম বিকাশৰ এক অংশ যিয়ে আমাক ভাবিবলৈ, শিকিবলৈ আৰু পৃথিৱীখনৰ বিষয়ে জনাত সহায় কৰে। বিবেক-বুদ্ধি, জ্ঞান আৰু বোধ ক্ষমতা বৃদ্ধি কৰাৰ বাবে মানুহে ভাষাক এক সাধন হিচাপে ব্যৱহাৰ কৰে। সেয়েহে, ছাত্ৰ-ছাত্ৰীৰ শিক্ষালাভৰ অভিজ্ঞতাৰ এক অংশ হিচাপে বাৰ্তালাপক উদ্‌গণি দিলে তেওঁলোকে শৈক্ষিক অগ্ৰগতি লাভ কৰিব পাৰিব। শিকি থকা কথাৰ ধাৰণা সম্পৰ্কে আলোচনাৰ অৰ্থ হ'ল ঃ

- এই ধাৰণাসমূহ উদ্‌ঘাটন কৰা
- যুক্তি বিকশিত আৰু সংগঠিত হোৱা
- এনেদৰে ছাত্ৰ-ছাত্ৰীয়ে অধিক শিকিবলৈ পোৱা

এটা শ্ৰেণীকোঠাত পাঠৰ পুনৰাবৃত্তিৰ পৰা আৰম্ভ কৰি উচ্চ পৰ্যায়ৰ আলোচনালৈকে ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা বাৰ্তালাপ বিভিন্ন ধৰণে ব্যৱহাৰ কৰিব পাৰি।

পাৰম্পৰিকভাৱে শিক্ষকৰ আলোচনা এটা সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজৰ বাৰ্তালাপ অথবা জ্ঞানতকৈ বেছি প্ৰভাৱী বিবেচিত হৈছিল। যা হওক, শিকনৰ বাবে আলোচনাৰ ব্যৱহাৰত পাঠসমূহৰ পৰিকল্পনা জড়িত হৈ থাকে যাতে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ পূৰ্ব অভিজ্ঞতাৰ সৈতে যোগসূত্ৰ স্থাপন কৰি অধিক বাৰ্তালাপৰ যোগেদি অধিক শিকিব পাৰে। এয়া শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ প্ৰ ৌত্তৰ শিতানৰ উৰ্ধত, য'ত ছাত্ৰ-ছাত্ৰীৰ নিজৰ ভাষা, ধাৰণা, বিবেক-বুদ্ধি আৰু আগ্ৰহ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আমাৰ মাজৰ প্ৰায়ভাগেই কোনো এটা টান বিষয়ত অথবা কিবা এটা বিচাৰি উলিয়াবৰ বাবে কাৰোবাৰ সৈতে আলাচনা কৰিব বিচাৰে, আৰু শিক্ষকে সু-পৰিকল্পিত ত্ৰি য়া-কলাপেৰে এই প্ৰবৃত্তি গঢ় দিব পাৰে।

### শ্ৰেণীকোঠাত শিকন কাৰ্যৰ বাবে পৰিকল্পিত বাৰ্তালাপ

আলোচনাৰ পৰিকল্পনা কেৱল সাক্ষৰতা অথবা শব্দকোষৰ পাঠৰ বাবেই নহয়; ই গণিত আৰু বিজ্ঞানৰ কাম আৰু অন্য বিষয়ৰো পৰিকল্পনাৰ অংশ। ইয়াক সম্পূৰ্ণ শ্ৰেণী, যুটি অথবা দলগত কাম, বহিৰংগ কাৰ্যকলাপ, চৰিত্ৰাভিনয় ভিত্তিক কাৰ্যকলাপ, লিখন, পঠন, ব্যৱহাৰিক অনুসন্ধান আৰু সৃষ্টিমূলক কাম আদিৰ ক্ষেত্ৰত পৰিকল্পনা কৰিব পাৰি।

আনকি সীমিত সাক্ষৰতা আৰু সাংখ্যিক দক্ষতা থকা যুৱ ছাত্ৰ-ছাত্ৰীয়েও উচ্চ-পৰ্যায়ৰ চিন্তন কৌশল প্ৰদৰ্শন কৰিব পাৰে যদিহে তেওঁলোকৰ পূৰ্ব অভিজ্ঞতাৰ ভিত্তিত উপভোগ্য ৰূপত কাম দিয়া হয়। উদাহৰণস্বৰূপে, ছাত্ৰ-ছাত্ৰীয়ে এটা সাধুকথা, এটা জন্তু অথবা ছবিৰ পৰা এটা আকৃতি, ছবি অথবা প্ৰকৃত বস্তু সম্পৰ্কে পূৰ্বানুমান কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে এটা পুতলা নাচ অথবা চৰিত্ৰাভিনয়ৰ এটি চৰিত্ৰৰ সমস্যাৰ পৰামৰ্শৰ তালিকা অথবা সম্ভাব্য সমাধান আগবঢ়াব পাৰে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীক কি শিকাব বিচাৰে আৰু কি ভবাটো বিচাৰে, একেধাৰে কি ধৰণৰ আলোচনাৰ অভ্যাস তেওঁলোকৰ মাজত গঢ় লৈ উঠাটো বিচাৰে সেই কথালৈ লক্ষ্য ৰাখি পাঠ পৰিকল্পনা কৰক। কিছুমান আলোচনা উদ্‌ঘাটনমূলক, উদাহৰণস্বৰূপে ঃ 'ইয়াৰ পিছত কি ঘটিব পাৰে?', 'এয়া আমি আগতেও দেখিছোনে', 'এয়া আৰু কি হ'ব পাৰিলেহেঁতেন' অথবা 'তুমি সেয়া কিয় ভাবিছা?' আন কিছুমান আলোচনা অধিক বি ষণাত্মক হ'ব পাৰে, উদাহৰণস্বৰূপে ধাৰণা, ঘটনা অথবা পৰামৰ্শ জুকিয়াই চোৱা আদি।

ইয়াক মনোগ্ৰাহী, উপভোগ্য আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ পক্ষে আলোচনা সাধ্য কৰি তোলাৰ চেষ্টা কৰক। ছাত্ৰ-ছাত্ৰীক নিজৰ মত ব্যক্ত কৰা আৰু ধাৰণা প্ৰকাশ কৰাৰ ক্ষেত্ৰত আস্বস্ত আৰু নিৰাপদে ৰখাতো প্ৰয়োজন, যাতে আনৰ দ্বাৰা ঠাট্টা-মস্কৰা অথবা নিজেই ভুলকৈ বুজিছে নেকি সেই কথাৰ ভয় নাথাকে।

## ছাত্ৰ-ছাত্ৰীৰ বাৰ্তালাপৰ বাতাৱৰণ সৃষ্টি

শিকনৰ বাবে আলোচনাৰ যোগেদি শিক্ষকে পোৱা সুযোগ ঃ

- ছাত্ৰ-ছাত্ৰীয়ে কি কয় সেয়া শুনাৰ সুযোগ
- ছাত্ৰ-ছাত্ৰীৰ ধাৰণাক প্ৰশংসা কৰা আৰু তাক অধিক বিকশিত কৰাৰ সুযোগ
- ইয়াক আগুৱাই নিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ সুযোগ

সকলো সঁহাৰি লিখিত হোৱাত গুৰুত্ব দিব নালাগে বা সেইবিলাক আনুষ্ঠানিকভাৱে মূল্যায়ন কৰিব নালাগে, কিয়নো আলোচনাৰ যোগেদি ধাৰণাৰ বিকাশ ঘটোৱা শিকনৰ এক মূল্যৱান অংশ। তেওঁলোকৰ শিকন প্ৰাসংগিক কৰি তোলাৰ বাবে আপুনি তেওঁলোকৰ অভিজ্ঞতা আৰু ধাৰণাসমূহ যথাদূৰ সম্ভৱ ব্যৱহাৰ কৰা উচিত। উত্তম ছাত্ৰ-ছাত্ৰীৰ আলোচনা উদ্‌ঘাটনমূলক, ইয়াৰ অৰ্থ এয়ে যে ছাত্ৰ-ছাত্ৰীয়ে পৰস্পৰ ধাৰণাক প্ৰত্যাহ্বান জনোৱাৰ লগতে ধাৰণা উদ্‌ঘাটন কৰে যাতে তেওঁলোকে তেওঁলোকৰ সঁহাৰি সম্পৰ্কে আত্মবিশ্বাসী হ'ব পাৰে। এটা উত্তৰ, সেয়া যিজনেই নিদিয়ক কিয়, সেইয়া গ্ৰহণ কৰাৰ বাবে দলগত আলোচনাত উৎসাহ জনোৱাতো উচিত নহয়। আপুনি 'কিয়', 'তুমি সেইটো সিদ্ধান্ত কেনেদৰে ল'লা?' আদি অনুষ্ঠানমূলক প্ৰশ্নৰ যোগেদি এটা সম্পূৰ্ণ শ্ৰেণী সজ্জাক প্ৰত্যাহ্বান জনোৱা ধৰণৰ আৰ্হি তৈয়াৰ কৰিব পাৰে। অথবা 'সেই সমাধানত কিবা কেৰোণ থকা যেন পাইছা নেকি?' ছাত্ৰ-ছাত্ৰীৰ দলসমূহৰ কথা শুনিবলৈ আপুনি শ্ৰেণীকোঠাত পায়চাৰী কৰিব পাৰে আৰু এনেধৰণৰ প্ৰশ্ন সুধি তেওঁলোকৰ চিন্তা প্ৰসাৰিত কৰিব পাৰে।

ছাত্ৰ-ছাত্ৰীৰ আলোচনা, ধাৰণা আৰু অভিজ্ঞতাক গুৰুত্ব দিলে আৰু সমাদৰ কৰিলে আপোনাৰ ছাত্ৰ-ছাত্ৰী উৎসাহিত হ'ব। যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে আলোচনাত ভাগ লয়, মনোযোগেৰে শুনে, পৰস্পৰক প্ৰশ্ন কৰে আৰু হস্তক্ষেপ নকৰিবলৈ শিকে, তেতিয়া তেওঁলোকৰ ব্যৱহাৰৰ বাবে প্ৰশংসা কৰক। শ্ৰেণীত উপান্ত বুলি অনুভৱ কৰা সদস্যৰ বিষয়ে সচেতন হৈ থাকক আৰু তেওঁলোকক কেনেদৰে শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি সেই বিষয়ে চিন্তা-চৰ্চা কৰক। সকলো ছাত্ৰ-ছাত্ৰীৰ সম্পূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে কিছু সময়ৰ প্ৰয়োজন হ'ব পাৰে।

## ছাত্ৰ-ছাত্ৰীয়ে নিজেই প্ৰশ্ন সোধাৰ বাবে উৎসাহিত কৰক

আপোনাৰ শ্ৰেণীত এনেধৰণৰ পৰিৱেশ সৃষ্টি কৰক য'ত ভাল প্ৰত্যাহ্বানমূলক প্ৰশ্ন সোধা হয় আৰু ছাত্ৰ-ছাত্ৰীৰ ধাৰণাক সন্মান আৰু প্ৰশংসা কৰা হয়। ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্ন সুধিবলৈ সংকোচবোধ কৰিব যদিহে তেওঁলোকৰ প্ৰশ্ন কেনেদৰে গ্ৰহণ কৰা হ'ব সেই সম্পৰ্কে আশংকা থাকে অথবা যদিহে তেওঁলোকে ভাবে যে তেওঁলোকৰ ধাৰণাক মূল্য দিয়া হোৱা নাই। প্ৰশ্ন সোধাৰ বাবে ছাত্ৰ-ছাত্ৰীক আহ্বান জনাব লাগে, তেওঁলোকক উৎসুকতা দেখুওৱাৰ বাবে উৎসাহ জনাব লাগে, তেওঁলোকৰ শিকনৰ বিষয়ে আন ধৰণে ভাবিবৰ বাবে উৎসাহিত কৰিব লাগে আৰু ইয়ে আপোনাক তেওঁলোকৰ দৃষ্টিকোণৰ বিষয় বুজাত সহায় কৰিব।

আপুনি নিয়মীয়া দলীয় বা যুৰীয়া কামৰ, অথবা 'ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নৰ সময়'ৰ পৰিকল্পনা কৰিব পাৰে যাতে তেওঁলোকে বিভিন্ন প্ৰশ্ন কৰাৰ উপৰিও ব্যাখ্যাৰ অনুৰোধ কৰিব পাৰে। আপুনি পাৰিলেহেঁতেন ঃ

- আপোনাৰ পাঠ্যত্ৰমৰ এটা শিতানৰ নাম 'হাত দাঙা যদি কিবা সুধিব লগা আছে' ৰাখিব পাৰে
- এগৰাকী ছাত্ৰ বা ছাত্ৰীক 'হট-চিট'ত বহিবলৈ দিয়ক আৰু তেওঁক পাইথাগোৰাচ অথবা মীৰাবাই হিচাপে ভাবি ল'বলৈ দি আন ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিবলৈ উৎসাহিত কৰক
- যোৰা অথবা সৰু দল হিচাপত 'মোক আৰু অধিক কোৱা' ধৰণৰ খেল খেলক
- কোন/কি/ক'ত/কেতিয়া আদি প্ৰশ্ন সম্বলিত এখন প্ৰশ্নৰ আৰ্হি ছাত্ৰ-ছাত্ৰীক দিয়ক।
- ছাত্ৰ-ছাত্ৰীক কেতবোৰ তথ্য দিয়ক (ৱৰ্ল্ড ডাটা বেংকৰ পৰা উপলব্ধ তথ্য, উদাহৰণস্বৰূপে পূৰ্ণকালীন শিক্ষা গ্ৰহণ কৰি থকা শিশুৰ সংখ্যা অথবা বিভিন্ন দেশৰ স্তনপানৰ হাৰ), আৰু এই তথ্যসমূহ সম্পৰ্কে আপুনি সুধিব পৰা প্ৰশ্ন সম্পৰ্কে ভাবিবলৈ দিয়ক
- ছাত্ৰ-ছাত্ৰীৰ সপ্তাহটোৰ প্ৰশ্নসমূহ অন্তৰ্ভুক্ত কৰা তালিকা থকা প্ৰশ্ন প্ৰাচীৰ সজাই তোলক।

আপুনি ছাত্ৰ-ছাত্ৰীক মুকলিমূৰীয়াকৈ প্ৰশ্ন সুধি আৰু তেওঁলোকৰ মাজৰ পৰা উত্থাপিত হোৱা প্ৰশ্নৰ উত্তৰ দি তেওঁলোকৰ আগ্ৰহ তথা চিন্তনৰ স্তৰ দেখি সন্তুষ্টিৰে আচৰিত হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে অধিক স্পষ্ট আৰু সঠিকভাৱে যোগাযোগ কৰিবলৈ শিকিলে তেওঁলোকৰ কেৱল মৌখিক আৰু লিখিত শব্দকোষেই যে বৃদ্ধি হয় এনে নহয়, নতুন জ্ঞান আৰু কৌশলৰো বিকাশ সাধন হয়।

# 4 যুৰীয়া কাৰ্যৰ ব্যৱহাৰ

সকলো পৰিস্থিতিতে মানুহে কাম কৰাৰ সমানেই কথাও কয় আৰু লগতে অন্যৰ কথাও শুনে আৰু তেওঁলোকে কি কৰে আৰু কেনেদৰে কৰে সেয়া চায়। এনেদৰেই মানুহে শিকে। আমি আনৰ লগত কথা পাতি নতুন ধাৰণা আৰু তথ্য আৱিস্কাৰ কৰিব পাৰোঁ। শ্ৰেণীকোঠাত যদি সকলোখিনি শিক্ষকজনৰ ওপৰত কেন্দ্ৰীভূত হৈ থাকে, তেতিয়া প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শিকন প্ৰদৰ্শন কৰিবলৈ অথবা প্ৰ.ন সুধিবলৈ পৰ্যাপ্ত সময় নাপায়। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে কেৱল চমুকৈ উত্তৰ দিব পাৰে আৰু কিছুমানে একো নকবও পাৰে। বহু ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীকোঠাত এই পৰিস্থিতিৰ আৰু অধিক অৱনতি ঘটে য'ত কেৱল কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে কথা-বতৰাত ভাগ লয়।

## যুৰীয়া কাৰ্য কিয় ব্যৱহাৰ কৰিব লাগে?

ছাত্ৰ-ছাত্ৰীয়ে বাৰ্তালাপৰ যোগেদি অধিক শিকাৰ বাবে যুৰীয়া কাম এক স্বাভাৱিক উপায়। ই তেওঁলোকক ধাৰণাৰ লগতে নতুন ভাষা সম্পৰ্কে চিন্তা আৰু চেষ্টা কৰাৰ সুযোগ দিয়ে। নতুন কৌশল আৰু ধাৰণাৰে কাম কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক ই এক উজু বাট দেখুৱায় আৰু বহু ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীত এয়া বিশেষভাৱে ফলপ্ৰসূ হয়।

যুৰীয়া কাৰ্য সকলো বয়স আৰু বিষয়ৰ ক্ষেত্ৰত প্ৰযোজ্য। বহুভাষিক, বহুস্তৰযুক্ত শ্ৰেণীৰ ক্ষেত্ৰত এয়া বিশেষভাৱে ফলপ্ৰসূ, কিয়নো ইজনে আনজনক সহায় কৰাৰ বাবে যোৰাৰ সৃষ্টি কৰিব পাৰি। এয়া আটাইতকৈ কাৰ্যক্ষম হয় যেতিয়া আপুনি আপোনাৰ সকলো ছাত্ৰ-ছাত্ৰী অন্তৰ্ভুক্ত হ'ব পৰাকৈ আৰু শিকিব তথা অগ্ৰগতি লাভ কৰিব পৰাকৈ যোৰ পৰিচালনা কৰাৰ বাবে বিশেষীকৃত কাম আৰু নিয়মিত কাৰ্যত্ৰ ম তৈয়াৰ কৰি লয়। এই কাৰ্যত্ৰ ম এবাৰ প্ৰতিষ্ঠা কৰি লোৱাৰ পিছত আপুনি দেখিব যে ছাত্ৰ-ছাত্ৰীয়ে সোনকালেই যোৰ হিচাপে কাম কৰাত অভ্যস্ত হৈ পৰিছে আৰু শিকন কাৰ্যও উপভোগ কৰিবলৈ লৈছে।

## যুৰীয়া কাৰ্যৰ বাবে কৰিবলগীয়া কাম

শিকনৰ বাবে এটা আকাংক্ষিত ফলাফৰ বাবে আপুনি বিভিন্ন ধৰণৰ যুৰীয়া কাম কৰাব পাৰে। যুৰীয়া কাৰ্য সদায় স্পষ্ট আৰু সঠিক হ'ব লাগে যাতে অকলে কৰা কামতকৈ যুৰীয়াভাৱে কৰা কামত ছাত্ৰ-ছাত্ৰীয়ে বেছি শিকিব পাৰে। তেওঁলোকৰ ধাৰণা সম্পৰ্কে কথা পাতিলে, আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে সেয়া আগবলৈ বিকশিত কৰাৰ বাবে আপুনা-আপুনি চিন্তা কৰিব।

যুৰীয়া কাৰ্যত অন্তৰ্ভুক্ত হ'ব পাৰে ঃ

- **'চিন্তা কৰা-যোৰ পাতা-বিনিময় কৰা'** ঃ ছাত্ৰ-ছাত্ৰীয়ে এটা সমস্যা বা বিষয়ক লৈ নিজেই ভাবিব পাৰে আৰু তাৰ পিছত যোৰ হিচাপে কাম কৰি আনৰ সৈতে বিনিময় কৰাৰ পূৰ্বে তাৰ সম্ভাব্য সমাধান বাচি উলিয়াব পাৰে। বানান, গণনাৰ যোগেদি কাম কৰা, শ্ৰেণী অথবা ত্ৰ ম ভিত্তিত সামগ্ৰী সজোৱা, বিভিন্ন মতামত আগবঢ়োৱা, এটা সাধুৰ পৰা বিভিন্ন চৰিত্ৰ হোৱা, ইত্যাদি কামত এয়া ব্যৱহাৰ কৰিব পাৰি।
- **তথ্য বিনিময় ঃ** বিষয় এটাৰ এটা দিশৰ তথ্য এটা শ্ৰেণীৰ আধা সংখ্যক ছাত্ৰ-ছাত্ৰীক দি বাকী আধা সংখ্যক ছাত্ৰ-ছাত্ৰীক সেই একেটা বিষয়ৰে অইন এটা দিশৰ তথ্য যোগান ধৰা হ'ল। তাৰপিছত তেওঁলোকে দুজনীয়া গোটত ভাগ হৈ এটা সমস্যাৰ সমাধান অথবা এটা নিৰ্দিষ্ট সিদ্ধান্তলৈ অহাৰ বাবে নিজৰ মাজত তথ্য বিনিময় কৰিব।
- **শ্ৰৱণ কৌশলৰ অনুশীলন ঃ** এজন ছাত্ৰ-ছাত্ৰীয়ে এটা সাধুকথা পঢ়ি যাওঁতে আন এজনে প্ৰ.ন সুধি যাব পাৰে; এজন ছাত্ৰ-ছাত্ৰীয়ে এটা ৰচনাংশ ইংৰাজীত পঢ়ি যাওঁতে বেলেগ এজনে সেয়া লগে লগে লিখি যাবলৈ চেষ্টা কৰিব পাৰে; এজন ছাত্ৰ-ছাত্ৰীয়ে এখন ছবি বা লেখচিত্ৰ বৰ্ণনা কৰোঁতে আন এজনে সেই বৰ্ণনাৰ ভিত্তিত চিত্ৰখন অংকণ কৰাৰ চেষ্টা কৰিব পাৰে।
- **নিৰ্দেশনাৱলী অনুসৰণ ঃ** এটা কৰ্ম সম্পাদনৰ বাবে এজন ছাত্ৰ-ছাত্ৰীয়ে আন এজনক নিৰ্দেশনাৱলী পঢ়ি শুনাব পাৰে।
- **সাধুপঠন বা চৰিত্ৰাভিনয় ঃ** তেওঁলোকে শিকি থকা এটা ভাষাত এটা সাধু কথা অথবা সংলাপ ৰচনা কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে যোৰ পাতি কাম কৰিব পাৰে।

## সকলোকে অন্তৰ্ভুক্ত কৰণৰ বাবে যোৰৰ পৰিচালনা

সকলোকে অন্তৰ্ভুক্ত কৰাই হৈছে যুৰীয়া কাৰ্য। ছাত্ৰ-ছাত্ৰীৰ মাজত থাকিব পৰা ভিন্নতাৰ প্ৰতি লক্ষ্য ৰাখি এনেদৰে দুজনীয়া গোট সৃষ্টি কৰিব লাগিব যে তেওঁলোকে কি কৰা উচিত, কি শিক্ষা লাভ কৰি আছে সেইবিষয়ে জনাৰ লগতে এই কথাও উপলব্ধি কৰিব পাৰে যে আপোনাৰ প্ৰত্যাশা কি। আপোনাৰ শ্ৰেণীকোঠাত যুৰীয়া কাৰ্যৰ কাৰ্যত্ৰ ম প্ৰতিষ্ঠা কৰিবলৈ হ'লে আপুনি তলত দিয়া ধৰণে আগবঢ়া উচিত ঃ

- ছাত্র-ছাত্ৰীৰ কৰ্ম-যোৰসমূহ পৰিচালনা কৰা। কেতিয়াবা ছাত্ৰ-ছাত্ৰীয়ে বন্ধুত্বৰ ভিত্তিত পতা যোৰত কাম কৰিব, কেতিয়াবা নকৰে। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা লাভৰ সৰ্ব্বোচ্চ পৰ্যায়লৈ লৈ যোৱাৰ বাবেহে যে যোৰ পতা ক্ষেত্ৰত আপুনি সিদ্ধান্ত লৈছে সেয়া তেওঁলোকে বুজি পোৱাতো নিশ্চিত কৰক।
- অধিক প্ৰত্যাহ্বানমূলক পৰিৱেশ সৃষ্টিৰ বাবে আপুনি কেতিয়াবা মিশ্ৰ সামৰ্থ সম্পন্ন আৰু বিভিন্ন ভাষা কোৱা ছাত্ৰ-ছাত্ৰীৰ যোৰ পাতিব পাৰে যাতে তেওঁলোকে ইজনে সিজনক সহায় কৰে; আন সময়ত একে পৰ্যায়ত কাম কৰি থকা ছাত্ৰ-ছাত্ৰীৰ যোৰ পাতিব পাৰে।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ সামৰ্থসমূহ যাতে আপুনি জানে আৰু তেওঁলোকক সেই অনুসাৰে যোৰ পাতিব পাৰে, তাৰ খতিয়ান ৰাখক।
- আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীক যুৰীয়া কাৰ্যৰ পৰা হ'ব পৰা লাভালাভৰ বিষয়ে জনাওক। পৰিয়াল বা সমাজৰ পৰা সহযোগী মনোভাৱেৰে কাম কৰাৰ উদাহৰণ দিয়ক।
- আৰম্ভণিৰ কৰ্ম চমু আৰু স্পষ্ট কৰক।
- ছাত্ৰ-ছাত্ৰীৰ যোৰসমূহৰ ওপৰত লক্ষ্য ৰাখক যাতে তেওঁলোকে আপুনি বিচৰা ধৰণে কাম কৰি থকা বুলি নিশ্চিত হ'ব পাৰে।
- ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ যোৰসমূহৰ ভূমিকা নিৰ্ধাৰণ কৰক আৰু তাৰ দায়িত্ব দিয়ক, যেনে এটা সাধুকথাৰ দুটা চৰিত্ৰ, অথবা সাধাৰণ লেবেল যেনে '1' আৰু '2' অথবা 'A' আৰু 'B'। তেওঁলোকে ইজনে আনজনৰ মুখামুখি হোৱাৰ পূৰ্বেই এই কাম কৰক যাতে তেওঁলোকে কথাবোৰ শুনে।
- ছাত্ৰ-ছাত্ৰীয়ে যাতে পৰস্পৰৰ মুখামুখি হৈ বহোঁতে সহজে লৰা-চৰা কৰি বহিব পাৰে সেই কথা নিশ্চিত কৰক।

যুৰীয়া কামৰ সময়ত প্ৰতিটো কৰ্মৰ বাবে কিমান সময় তেওঁলোকে লাভ কৰিব সেয়া কোৱাৰ উপৰি নিয়মিত সময় পৰীক্ষণ কৰক। পৰস্পৰক সহায় কৰা আৰু কৰ্মত নিয়োজিত হৈ থকা যোৰসমূহক প্ৰশংসা কৰক। যোৰ এটাক স্থিৰ হোৱাৰ বাবে আৰু তেওঁলোকৰ নিজৰ সমাধান উলিওৱাৰ বাবে সময় দিয়ক। তেওঁলোকে কি কৰিব পাৰে বা কৰিছে সেয়া ভাবি উলিওৱাৰ আগতেই এনেদৰে সময় দিলে তেওঁলোক বেছি খৰকৈ কামটোত জড়িত হ'ব পাৰে। সকলো কামত ব্যস্ত হৈ আলোচনা কৰিব পৰাৰ এটা পৰিৱেশ প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে উপভোগ কৰে। আপুনি শ্ৰেণীত নিৰীক্ষণ কৰিবলৈ ঘূৰা-ফিৰা কৰি থাকোঁতে কোন কাৰ লগত সহজ হ'ব পাৰিছে সেই সম্পৰ্কে টোকা প্ৰস্তুত কৰক, কোন কোন ছাত্ৰ-ছাত্ৰী মিলিবলৈ সক্ষম হোৱা নাই সেই সম্পৰ্কে সজাগ হওক, আৰু সাধাৰণ ত্ৰুটি, ভাল ধাৰণা অথবা সাৰাংশৰ ওপৰত টোকা লিখি ৰাখক।

কৰ্ম শেষ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে যি বিকাশ সাধন কৰিবলৈ সক্ষম হ'ল সেই সকলোৰে মাজত যোগসূত্ৰ স্থাপন কৰাত আপোনাৰ ভূমিকা আছে। আপুনি কিছুমান যোৰৰ কাম প্ৰদৰ্শনৰ বাবে বাছনি কৰিব পাৰে অথবা তেওঁলোকৰ কাৰণে সেইখিনিৰ সংক্ষিপ্তকৰণ কৰিব পাৰে। একেলগে কাম কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে সাফল্যৰ অনুভৱ লাভ কৰিব পাৰে। আপুনি প্ৰতিটো যোৰৰ পৰা প্ৰতিবেদন লোৱাৰ প্ৰয়োজন নাই - তাৰ বাবে ভালেখিনি সময়ৰ প্ৰয়োজন হ'ব। কিন্তু আপোনাৰ নিৰীক্ষণৰ পৰা জনা এনে ছাত্ৰ-ছাত্ৰী বাছি লওক যিয়ে আনৰ শিকনৰ ক্ষেত্ৰত ইতিবাচক সঁহাৰি আগবঢ়াব পাৰে। আত্মপ্ৰত্যয় নথকা ছাত্ৰ-ছাত্ৰীক এনেধৰণৰ কামে আত্মপ্ৰত্যয় বঢ়োৱাত সুযোগ দিয়ে।

আপুনি যেতিয়া ছাত্ৰ-ছাত্ৰীক এটা সমস্যা সমাধান কৰিবলৈ দিয়ে, তেতিয়া আপুনি আৰ্হিমূলক উত্তৰ এটা দিব পাৰে আৰু তেওঁলোকৰ উত্তৰ কেনেদৰে উন্নত কৰিব লাগিব সেই সম্পৰ্কে যোৰ পাতি আলোচনা কৰিবলৈ ক'ব পাৰে। ইয়ে তেওঁলোকক নিজৰ শিকন সম্পৰ্কে চিন্তা কৰাত সহায় কৰাৰ উপৰি নিজৰ ভুলৰ পৰা শিকাৰ ক্ষেত্ৰত সহায় কৰিব।

যদি আপুনি যুৰীয়া কামৰ অভ্যাস নতুনকৈ কৰিছে, তেন্তে কৰ্ম, সময় অথবা যোৰ সম্বন্ধে যিকোনো পৰিৱৰ্তনৰ ওপৰত টোকা ৰখাতো প্ৰয়োজন। এয়া গুৰুত্বপূৰ্ণ কিয়নো এনেদৰেই আপুনি শিকিব আৰু আপোনাৰ শিক্ষাদান উন্নত কৰিব পাৰিব। কৃতকাৰ্যতাৰে যুৰীয়া কাৰ্য সংগঠিত কৰাৰ লগত স্পষ্ট নিৰ্দেশনা আৰু সঠিক সময় পৰিচালনাৰ বিষয়টো সম্বন্ধিত হৈ থাকে। ইয়াৰ লগতে সংক্ষিপ্তকৰণ আদিও জড়িত হৈ থাকে - এই সকলোবোৰৰ বাবে অনুশীলনৰ প্ৰয়োজন।

# 5 ভাবিবৰ বাবে প্র.নৰ ব্যৱহাৰ

শিক্ষকে ছাত্র-ছাত্রীক সকলো সময়তে প্র.ন সোধে; প্র.ন হৈছে শিক্ষকে ছাত্র-ছাত্রীক অধিকতকৈও অধিক শিকাত সহায় কৰাৰ এক আহিলা। গড় হিচাপত এজন শিক্ষকে এটা অধ্যয়নত তেওঁলোকৰ সময়ৰ এক-তৃতীয়াংশ সময় ছাত্র-ছাত্রীক প্র.ন সোধোঁতে কটায় (হেষ্টিংচ, ২০০৩)। এই প্র.নসমূহৰ ৬০ শতাংশত ৰোমন্থিত তথ্য হোৱাৰ বিপৰীতে ২০ শতাংশ প্রত্রি য়াগত (হেট্টি, ২০১২), য'ত প্রায়ভাগ প্র.নৰ উত্তৰেই হয় শুদ্ধ বা অশুদ্ধ। কিন্তু শুদ্ধ বা অশুদ্ধ উত্তৰ থকা প্র.ন সোধাটোৱে শিক্ষাৰ প্রত্রি য়াটোক উৎসাহিত কৰিব পাৰেনে?

ছাত্র-ছাত্রীক সোধা প্র.ন বিভিন্ন ধৰণৰ হ'ব পাৰে। শিক্ষকজনে বিচৰা সঁহাৰি অথবা ফলাফল, এই দুয়োটাই শিক্ষকজনে সোধা প্র.ন নির্ণয় কৰে। শিক্ষকে সাধাৰণতে ছাত্র-ছাত্রীক প্র.ন সোধাৰ কাৰণ এনেধৰণৰ ঃ

- নতুন বিষয় অথবা সামগ্রীৰ অৱতাৰণা কৰোঁতে বুজাত সহায় হোৱাকৈ ছাত্র-ছাত্রীক পথ প্রদর্শন কৰা
- ছাত্র-ছাত্রীৰ চিন্তাৰ অধিকাংশ বিনিময় কৰাৰ বাবে চেষ্টা কৰা
- ত্রুটিৰ ওপৰত পুনর্বিচাৰ কৰা
- ছাত্র-ছাত্রীক নমনীয় কৰা
- বোধক্ষমতাৰ পৰীক্ষা কৰা

ছাত্র-ছাত্রীয়ে কি জানে তাৰ আভাস পাবৰ বাবে প্র.নৰ ব্যৱহাৰ কৰা হয়, সেয়ে তেওঁলোকৰ অগ্রগতি মূল্যায়নৰ বাবে সেয়া অতি গুৰুত্বপূর্ণ। ছাত্র-ছাত্রীক অনুপ্রেৰণা যোগোৱা, তেওঁলোকৰ চিন্তাৰ কৌশলৰ প্রসাৰ ঘটোৱা আৰু অনুসন্ধিৎসু মন গঢ়াব বাবে প্র.ন ব্যৱহাৰ কৰিব পাৰি। প্র.নক দুটা বহল ভাগত ভাগ কৰিব পাৰি ঃ

- **অধঃত্র মিক প্র.ন,** য'ত পূর্বতে শিকা জ্ঞান অথবা কাৰণ পুনৰ মনত পেলোৱা হয় আৰু ইয়াত প্রায়ে বন্ধমুখী প্র.ন সোধা হয় (হয়/নহয় বিধৰ উত্তৰ)।
- **উর্ধত্র মিক প্র.ন,** য'ত অধিক চিন্তাৰ প্রয়োজন হয়। সেইবিলাকে ছাত্র-ছাত্রীক পূর্বতে শিকা কথা পুনৰ ৰোমন্থন কৰি এটা উত্তৰ গঠন কৰা অথবা যুক্তি যুক্ত ভাৱে এটা মতৰ প্রতি সমর্থন আগবঢ়োৱা কথা সুধিব পাৰে। উর্ধত্র মিক প্র.নসমূহ প্রায়ে মুক্ত মুখী হয়।

মুক্ত মুখী প্র.নই ছাত্র-ছাত্রীক পাঠ্যপুথিভিত্তিক অথবা আক্ষৰিক উত্তৰ আদিৰ উর্ধত থাকি চিন্তা কৰিবলৈ উৎসাহিত কৰে আৰু উত্তৰক সৃজনীশীল কৰি তোলে। ছাত্র-ছাত্রীৰ বিষয়সূচীৰ বোধগম্যতা আদি মূল্যায়ন কৰাত ই শিক্ষকক সহায় কৰিব পাৰে।

## ছাত্র-ছাত্রীক সঁহাৰি দিবলৈ উৎসাহিত কৰে

বহুতো শিক্ষকে এটা প্র.নৰ উত্তৰ দিয়াৰ বাবে এক ছেকেণ্ডৰো কম সময়ৰ অনুমতি দিয়ে আৰু সেয়ে নিজেই সেই প্র.নৰ উত্তৰ দিয়ে বা প্র.নটো পুনৰুল্লেখ কৰে (হেষ্টিংচ, ২০০৩) ছাত্র-ছাত্রীয়ে কেৱল প্রতিত্রি য়া ব্যক্ত কৰিবলৈহে সময় পায় - ভাবিবলৈ সময়েই নাপায়! উত্তৰ আশা কৰাৰ পূর্বে আপুনি যদি কিছু ছেকেণ্ড সময় ৰয়, ছাত্র-ছাত্রীসকলে ভাবিবলৈ সময় পাব। ছাত্র-ছাত্রীৰ সফলতাত ই যোগাত্মক প্রভাৱ পেলায়। প্র.ন এটা সোধাৰ পিছত অলপ সময় তলত দিয়া সম্ভাৱনাসমূহ বাঢ়ে ঃ

- ছাত্র-ছাত্রীৰ সঁহাৰিৰ দৈর্ঘ্য
- সঁহাৰি জনোৱা সংখ্যা
- ছাত্র-ছাত্রীৰ প্র.নৰ সঘনতা
- কম সামর্থবান ছাত্র-ছাত্রীৰ পৰা সঁহাৰি
- ছাত্র-ছাত্রীৰ মাজত যোগাত্মক ত্রি য়া-প্রতিত্রি য়া/ভাব-বিনিময়

## আপোনাৰ সঁহাৰিৰ যথেষ্ট ভূমিকা আছে

প্রদানিত উত্তৰক আপুনি যিমান যোগাত্মকভাৱে গ্রহণ কৰে ছাত্র-ছাত্রীয়ে সিমানেই অধিক ভাবিবলৈ আৰু চেষ্টা কৰিবলৈ ল'ব। ভুল উত্তৰ অথবা ভুল ধাৰণা শুধৰণি কৰাৰ বিভিন্ন উপায় আছে। যদি এজন ছাত্র-ছাত্রীৰ ভুল ধাৰণা আছে বুলি আপুনি গম পায়, তেন্তে এটা কথাত নিশ্চিত হ'ব পাৰে যে ভালেমান ছাত্র-ছাত্রীৰ সেই একেই ভুল ধাৰণা থাকিব পাৰে। তলত দিয়া পদক্ষেপসমূহ আপুনি হাতত ল'ব পাৰে ঃ

- উত্তৰৰ শুদ্ধ অংশসমূহ বাছি উলিয়াওক আৰু ছাত্ৰ-ছাত্ৰীক সমৰ্থনমূলক দৃষ্টিভংগীৰে উত্তৰটোৰ বিষয়ে চিন্তা কৰিবলৈ কওক। এনে পদক্ষেপে তেওঁলোকক অধিক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ ভুলৰ ওপৰত শিক্ষাদান কৰিবলৈ আপোনাক সহায় কৰিব। তলৰ মন্তব্যত আপুনি এটা ভুল উত্তৰৰ প্ৰতি কেনেদৰে সমৰ্থনমূলক দৃষ্টিভংগীৰে উত্তৰ দিব সেই সম্পৰ্কে দৰ্শোৱা হৈছে ঃ "বাষ্পীভৱনে মেঘ সৃষ্টি কৰাৰ ক্ষেত্ৰত তোমাৰ কথাটো শুদ্ধ, কিন্তু মই ভাবোঁ যে বৰষুণৰ ক্ষেত্ৰত তুমি কোৱা কথাৰ উপৰি আৰু কিছু কথা আমাৰ জানিবলৈ ৰৈ গৈছে। আন কোনোবাই কিবা ধাৰণা আগবঢ়াব পাৰিবা নেকি?"
- ছাত্ৰ-ছাত্ৰীয়ে দিয়া সকলো উত্তৰ কৃষ্ণফলকত লিখি যাওক আৰু তাৰপিছত সেই সকলোবোৰৰ বিষয়ে ভাবিবলৈ কওক। কোনবিলাক উত্তৰ তেওঁলোকে শুদ্ধ বুলি ভাবে? কিহে প্ৰদত্ত আন উত্তৰলৈ আমাক নিলেহেঁতেন? ইয়াৰ যোগেদি আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে ভাবে সেই সম্পৰ্কে বুজাৰ সুযোগ আপুনি লাভ কৰে আৰু কোনো ভাবুকি নোহোৱাকৈ তেওঁলোকৰ মনত থাকিব পৰা ভুল ধাৰণা দূৰ কৰিব পাৰে।

মনোযোগেৰে শুনি আৰু ছাত্ৰ-ছাত্ৰীক আগলৈ ব্যাখ্যা কৰিবলৈ দি সকলো সঁহাৰিকে মূল্য দিয়ক। সকলো উত্তৰৰ বাবে যদি আপুনি অধিক ব্যাখ্যা বিচাৰে, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে দিয়া উত্তৰ শুদ্ধই হওক বা ভুলেই হওক, এটা সময়ত তেওঁলোকে নিজেই নিজৰ ভুল শুধৰাই ল'ব পৰা হ'ব। ফলস্বৰূপে আপুনি এটা চিন্তাশীল শ্ৰেণী গঢ়ি তুলিব পাৰিব আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কেনে শিক্ষালাভ কৰিছে আৰু কেনেদৰে উন্নতি সম্ভৱ কৰিব পৰা যাব সেয়া আপুনি জানিব পাৰিব। যদিহে ভুল উত্তৰৰ বাবে অপমান বা শাস্তি প্ৰদান কৰা হয়, তেন্তে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে আগলৈ লজ্জা অথবা ঠাট্টা-মস্কৰাৰ সন্মুখীন হোৱাৰ ভয়ত চেষ্টা কৰিবলৈ এৰি দিব।

## সঁহাৰিৰ গুণাগুণ উন্নত কৰা

এয়া প্ৰয়োজনীয় যে আপুনি প্ৰ.াসমূহ এনে এটা ত্ৰ মত আগবঢ়াবলৈ চেষ্টা কৰা উচিত যে এইবোৰ শুদ্ধ উত্তৰৰ সৈতে শেষ নহয়। শুদ্ধ উত্তৰ আৰু লগতে প্ৰ.াৰ বাবে পুৰস্কাৰ আগবঢ়োৱা উচিত যি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি ছাত্ৰ-ছাত্ৰীক শিক্ষকৰ সৈতে সংযোজিত হোৱাৰ সুযোগ প্ৰদান কৰে। আপুনি তলত দিয়াসমূহ সুধি সেয়া কৰিব পাৰে ঃ

- কেনেকৈ অথবা কিয়
- উত্তৰ দিয়াৰ অন্য ধৰণ
- এটা ভাল শব্দ
- এটা উত্তৰ সিদ্ধ কৰাৰ বাবে সাক্ষ্য
- আপেক্ষিক কৌশল এটাৰ সংহতকৰণ
- একেবিধ কৌশল বা যুক্তি এটা নতুন ব্যৱস্থাত প্ৰয়োগ

ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উত্তৰ সম্পৰ্কে অধিক গভীৰভাৱে ভবাৰ বাবে সহায় কৰাতো আপোনাৰ ভূমিকাৰ এক জৰুৰী অংশ। তলত দিয়া কৌশলসমূহে ছাত্ৰ-ছাত্ৰীক অধিক সফল হোৱাত সহায় কৰিব ঃ

- **সোঁৱৰাই দিবৰ** বাবে উপযুক্ত ইংগিত দিয়াৰ প্ৰয়োজন - ই ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উত্তৰসমূহ বিকশিত আৰু উন্নত কৰাত সহায় কৰে। আপুনি প্ৰথমে উত্তৰটোত কি শুদ্ধ সেয়া বাছি ল'ব লাগিব আৰু তাৰপিছত তথ্য, পৰৱৰ্তী প্ৰ.া আৰু অন্যান্য সূত্ৰ আগবঢ়াব লাগিব। ('গতিকে তোমাৰ কাগজেৰে তৈয়াৰী উৰাজাহাজখনৰ পিছৰ অংশত ওজন দি দিয়া হ'লে কি ঘটিলেহেঁতেন')
- **অনুসন্ধান** হৈছে অধিক বিচাৰি উলিওৱাৰ বাবে কৰা চেষ্টা, এটা অসংগঠিত প্ৰ.া অথবা আংশিকভাৱে শুদ্ধ প্ৰ.াৰ উত্তৰ পৰিপাটিকৈ উন্নীত কৰি কোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে কি চেষ্টা কৰিছে সেই সম্পৰ্কে স্পষ্টতা অনাত সহায় কৰা। ('গতিকে এই দুটা কেনেদৰে একেলগে খাপ খায় সেইবিষয়ে তুমি আৰু অলপ কোৱা?')
- **পুনৰ্কেন্দ্ৰীকৰণ** হৈছে ছাত্ৰ-ছাত্ৰীয়ে পূৰ্বতে লাভ কৰা জ্ঞানৰ সৈতে তেওঁলোকৰ জ্ঞানৰ যোগসূত্ৰ স্থাপন কৰাৰ বাবে শুদ্ধ উত্তৰসমূহ গঢ় দিয়া। ই তেওঁলোকৰ বোধক্ষমতা বঢ়ায়। ('তুমি কোৱা কথাতো সঁচা, কিন্তু যোৱা সপ্তাহত আমাৰ স্থানীয় পৰিৱেশৰ ওপৰত আমি আলোচনা কৰা বিষয়ৰ সৈতে ই কেনেদৰে যুক্ত')

- **অনুত্ৰ মত** প্ৰ.নসমূহ সজোৱা মানে হৈছে চিন্তনৰ প্ৰসাৰ ঘটোৱাৰ বাবে প্ৰ.নসমূহ এটা শৃংখলাবদ্ধ ৰূপত সজোৱা। প্ৰ.নসমূহে ছাত্ৰ-ছাত্ৰীক সংক্ষিপ্তকৰণ, তুলনা, ব্যাখ্যা অথবা বি ষণ কৰাৰ দিশে অগ্ৰসৰ কৰিবলৈ সক্ষম হ'ব লাগে। ছাত্ৰ-ছাত্ৰীক নমনীয় কৰিব পৰা ধৰণৰ প্ৰ.ন প্ৰস্তুত কৰক, কিন্তু তেওঁলোকক এনে প্ৰত্যাহ্বান নজনাব যে প্ৰ.নৰ অৰ্থই বিচাৰি নাপায়। ('তোমাৰ পূৰ্বৰ সমস্যাৰ সমাধান কেনেদৰে পাইছিলা সেয়া ব্যাখ্যা কৰা। সেয়াই কি পাৰ্থক্য আনিছিল? পৰৱৰ্তী সময়ত তাৰ মোকাবিলা কৰাৰ বাবে তোমাৰ কি প্ৰয়োজন আছে বুলি তুমি ভাবা?')
- **শ্ৰৱণে** আপোনাক বাঞ্চিত উত্তৰটো আশা কৰাটোকেই কেৱল সমৰ্থন নকৰে, আপুনি আশা নকৰা অস্বাভাৱিক বা উদ্ভাৱনমূলক উত্তৰ সম্পৰ্কেও সজাগ কৰি তোলে। আপুনি যে ছাত্ৰ-ছাত্ৰীৰ চিন্তাক মূল্য দিয়ে, সেইকথাও ই প্ৰদৰ্শন কৰে আৰু তাৰ ফলত তেওঁলোকে চিন্তাশীল সঁহাৰি দিয়াৰ সম্ভৱনা বাঢ়ি যায়। এনে উত্তৰে শুধৰণি হ'বলগীয়া ভুল ধাৰণাও আঁতৰাব পাৰে, অথবা আপুনি বিবেচনা নকৰা নতুন দৃষ্টিভংগী সূচনা কৰিব পাৰে। ('মই সেই কথা ভবাই নাছিলোঁ। তুমি তেনেকৈ কিয় ভাবিছা সেইবিষয়ে মোক আৰু অলপ কোৱা')

শিক্ষক হিচাপে আপুনি যদি ছাত্ৰ-ছাত্ৰীৰ পৰা মনোগ্ৰাহী আৰু উদ্ভাৱনীমূলক উত্তৰ পোৱাতো বিচাৰিছে তেন্তে এনে প্ৰ.ন সোধক যিটোৱে তেওঁলোকক অনুপ্ৰাণিত কৰে আৰু প্ৰত্যাহ্বান জনায়। আপুনি তেওঁলোকক ভবাৰ বাবে সময় দিয়া উচিত আৰু আপুনি জানি আমোদ পাব যে কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে জানে আৰু তেওঁলোকৰ শিকনৰ অগ্ৰগতিৰ বাবে আপুনি কিমান ভালকৈ তেওঁলোকক সহায় কৰিব পাৰে।

মনত ৰাখিব যে প্ৰ.ন সোধাৰ লক্ষ্য শিক্ষকৰ জ্ঞান নিৰ্ধাৰণ কৰা নহয়, ছাত্ৰ-ছাত্ৰীয়ে কিমান জানে সেয়া বুজাৰ বাবেহে। এয়া মনত ৰখাতো প্ৰয়োজনীয় যে আপোনাৰ নিজৰ প্ৰ.নৰ উত্তৰ আপুনি নিজে কেতিয়াও দিয়া উচিত নহয়। কিয়নো, তেওঁলোকে যদি জানেই যে কিছুসময়ৰ নীৰৱতাৰ পিছত আপুনি নিজেই প্ৰ.নটোৰ উত্তৰ দিব, তেন্তে তেওঁলোকে উত্তৰ দিয়াৰ উৎসাহ ক'ত লাভ কৰিব?

## প্ৰসংগসমূহ


Hastings, S. (2003) 'Questioning', TES Newspaper, 4 July. ইয়াৰ পৰা উপলব্ধ ঃ

http://www.tes.co.uk/article.aspx?storycode=381755 (accessed 22 September 2014).

Hattie, J. (2012) *Visible Learning for Teachers:* শিক্ষণৰ প্ৰভাৱ সৰ্বোচ্চকৰণ। এবিংডনঃ ৰুথলেজ।

# 6 নিৰীক্ষণ আৰু প্ৰতিপুষ্টি প্ৰদান

ছাত্ৰ-ছাত্ৰীৰ কাৰ্যক্ষমতা উন্নত কৰাত তেওঁলোকক অবিৰত নিৰীক্ষণ আৰু তেওঁলোকক সঁহাৰি দিয়া আদি কাম নিহিত থাকে, যাতে তেওঁলোকৰ পৰা কি আশা কৰা হৈছে সেয়া তেওঁলোকে জানে আৰু যাতে কৰ্ম সম্পন্ন কৰাৰ পিছত প্ৰতিপুষ্টি পায়। আপোনাৰ গঠনমূলক প্ৰতিপুষ্টিয়ে তেওঁলোকৰ কৰ্যক্ষমতা বঢ়াই তুলিব পাৰে।

## নিৰীক্ষণ

কাৰ্যকুশলতা থকা শিক্ষকে প্ৰায়ভাগ সময়তে নিজৰ ছাত্ৰ-ছাত্ৰীক নিৰীক্ষণ কৰে। সাধাৰণতে, প্ৰায়ভাগ শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত কৰা কাৰ্যকলাপ শুনা আৰু পৰ্যৱেক্ষণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক নিৰীক্ষণ কৰে। ছাত্ৰ- ছাত্ৰীৰ অগ্ৰগতি নিৰীক্ষণ কৰাটো খুবেই জৰুৰী কিয়নো ই ছাত্ৰ-ছাত্ৰীক তলত দিয়া ধৰণে সহায় কৰে ঃ

- উচ্চ গ্ৰেড লাভ কৰাত
- তেওঁলোকৰ কাৰ্যক্ষমতা সম্পৰ্কে সচেতন হওক আৰু তেওঁলোকৰ শিকনৰ ক্ষেত্ৰত অধিক দায়িত্বশীল হওক
- তেওঁলোকৰ শিকনৰ উন্নতি
- ৰাজ্যিক আৰু স্থানীয় মানদণ্ডৰ পৰীক্ষাত সফলতাৰ পূৰ্বানুমান কৰক।

ই আপোনাক শিক্ষক হিচাপে নিম্নলিখিত বিষয়ত সিদ্ধান্ত লোৱাত সহায় কৰিব ঃ

- এটা প্ৰ.ন কেতিয়া সুধিব অথবা সোঁৰৰাই দিব লাগে
- কেতিয়া প্ৰশংসা কৰিব লাগে
- প্ৰত্যাহ্বান জনাব লাগেনে নেলাগে
- এটা কৰ্মত কেনেদৰে ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন দল অন্তৰ্ভুক্ত কৰিব লাগে
- ভুল হ'লে কি কৰিব লাগে

ছাত্ৰ-ছাত্ৰীয়ে অগ্ৰগতিৰ ক্ষেত্ৰত তেতিয়াহে বেছি উন্নীত হয় যেতিয়া তেওঁলোকক স্পষ্ট আৰু তৎপৰভাৱে প্ৰতিপুষ্টি প্ৰদান কৰা হয়। নিৰীক্ষণে আপোনাক নিয়মীয়া প্ৰতিপুষ্টি প্ৰদান কৰাত সহায় কৰিব। ছাত্ৰ-ছাত্ৰীয়ে কি কৰি আছে তথা শিকনত আগবাঢ়ি যাবলৈ তেওঁলোকক আৰু কিহৰ প্ৰয়োজন সেয়া তেওঁলোকৰ পৰাই জানিব পৰা হ'ব।

আপুনি সন্মুখীন হ'বলগীয়া প্ৰত্যাহ্বানসমূহৰ এটা হৈছে ছাত্ৰ-ছাত্ৰীক নিজেই নিজৰ শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ কৰাত সহায় কৰা, যাক স্ব-নিৰীক্ষণ বুলি কোৱা হয়। ছাত্ৰ-ছাত্ৰী, বিশেষকৈ সংঘৰ্ষ কৰিবলগীয়া হোৱা নিজৰ শিক্ষালাভৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ নাথাকে। কিন্তু আপুনি যিকোনো ছাত্ৰ-ছাত্ৰীক কোনো প্ৰকল্পৰ বাবে নিজস্ব লক্ষ্য স্থিৰ, কৰ্ম পৰিকল্পনা আৰু সময়সীমা স্থিৰ, আৰু নিজৰ অগ্ৰগতিৰ স্ব-নিৰীক্ষণ কৰাত সহায় কৰিব পাৰে। স্ব-নিৰীক্ষণৰ প্ৰক্ৰি য়াৰ অনুশীলন আৰু কৌশল আয়ত্ব কৰিলে ই পিছলৈ তেওঁলোক কেৱল বিদ্যালয়তে নহয় বৰং সমগ্ৰ জীৱনতে সহায় কৰিব।

## ছাত্ৰ-ছাত্ৰীৰ কথা শুনা আৰু পৰ্যৱেক্ষণ কৰা

প্ৰায়ভাগ সময়তে ছাত্ৰ-ছাত্ৰীৰ কথা শুনা আৰু পৰ্যৱেক্ষণ কৰা কাম শিক্ষকে প্ৰাকৃতিকভাৱেই কৰে; ই এক উজু নিৰীক্ষণ আহিলা। উদাহৰণস্বৰূপে, আপুনি কৰিব পৰা কামসমূহ ঃ

- ছাত্ৰ-ছাত্ৰীয়ে ডাঙৰকৈ পঢ়া শুনক
- যোৰ বা দলগত কামৰ ক্ষেত্ৰত হোৱা আলোচনা শুনক
- শ্ৰেণীকোঠাৰ বাহিৰৰ আৰু ভিতৰৰ সমল ব্যৱহাৰ কৰাত ছাত্ৰ-ছাত্ৰীক পৰ্যৱেক্ষণ কৰক
- কাম কৰি থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ দৈহিক ভাষা পৰ্যৱেক্ষণ কৰক।

আপুনি সংগ্ৰহ কৰা পৰ্যৱেক্ষণ যে ছাত্ৰ-ছাত্ৰীৰ শিক্ষালাভ বা অগ্ৰগতিৰ সঁচা সাক্ষ্য সেই কথা নিশ্চিত কৰক। কেৱল আপুনি চাব, শুনিব, চালি-জাৰি চাব বা গণিব পৰাসমূহহে লিপিবদ্ধ কৰক।

ছাত্ৰ-ছাত্ৰীয়ে কাম কৰাৰ সময়ত পৰ্যৱেক্ষণমূলক চমুটোকা লোৱাৰ বাবে শ্ৰেণীকোঠাত চলা-ফিৰা কৰক। আপুনি এখন শ্ৰেণীতালিকা ৰাখি তাতে কোনবোৰ ছাত্ৰ-ছাত্ৰীক অধিক সহায়ৰ প্ৰয়োজন সেয়া আৰু বৃদ্ধি পোৱা যিকোনো ধৰণৰ ভ্ৰান্তি টুকি থ'ব পাৰে। এটা শ্ৰেণীত প্ৰতিপুষ্টি প্ৰদানৰ বাবে অথবা দল বা ব্যক্তি ক সোঁৰৰাই দিয়া বা উৎসাহিত কৰাৰ বাবে এই পৰ্যৱেক্ষণ আৰু টোকাসমূহ ব্যৱহাৰ কৰিব পাৰে।

## প্ৰতিপুষ্টি প্ৰদান

প্ৰতিপুষ্টি হৈছে এনে তথ্য যিয়ে উল্লেখিত লক্ষ্য অথবা প্ৰত্যাশিত ফলাফল সাপেক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ কাৰ্যদক্ষতা কেনে সেয়া জানিবলৈ দিয়ে। ফলপ্ৰসূ প্ৰতিপুষ্টিয়ে ছাত্ৰ-ছাত্ৰীক দিয়ে ঃ

- কি ঘটিলে সেইসম্পৰ্কে তথ্য
- কাৰ্য বা কৰ্ম এটা কিমান ভালদৰে সম্পন্ন কৰা হৈছে সেই সম্পৰ্কে মূল্যায়ন
- তেওঁলোকৰ কাৰ্যক্ষমতা উন্নত কেনেদৰে কৰিব লাগিব সেই সম্পৰ্কে পথ প্ৰদৰ্শন।

আপুনি যেতিয়া প্ৰতিজন ছাত্ৰ-ছাত্ৰীক প্ৰতিপুষ্টি দিয়ে, ই তেওঁলোকক নিম্নলিখিত বিষয়ত সহায় কৰিব লাগিব ঃ

- তেওঁলোকে দৰাচলতে কি কৰিব পাৰে
- এতিয়াও তেওঁলোকে কি কৰিব নোৱাৰে
- তেওঁলোকৰ কাম আনৰ সৈতে কেনেদৰে ৰিজাব পাৰি
- তেওঁলোকে কেনেদৰে উন্নতি কৰিব পাৰে।

এয়া মনত ৰখাতো প্ৰয়োজনীয় যে ফলপ্ৰসূ প্ৰতিপুষ্টিয়ে ছাত্ৰ-ছাত্ৰীক সহায় কৰে। আপুনি শিক্ষালাভত বাধাৰ সৃষ্টি কৰিব নোখোজে কিয়নো আপোনাৰ প্ৰতিপুষ্টি অস্পষ্ট আৰু অন্যায়পূৰ্ণ। ফলপ্ৰসূ প্ৰতিপুষ্টি হৈছে ঃ

- **হাতত** লোৱা কাম আৰু ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিবলগীয়া শিক্ষাৰ ওপৰত কেন্দ্ৰীভূত
- **স্পষ্ট আৰু সৎ,** য'ত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা কি ক্ষেত্ৰত ভাল আৰু কি ক্ষেত্ৰত শুধৰণিৰ প্ৰয়োজন আছে সেয়া জনোৱা হয়
- **কৰণীয়,** ছাত্ৰ-ছাত্ৰীক কিবা কৰিবলৈ দিয়া যিটো তেওঁলোকে কৰিবলৈ সমৰ্থ
- যথোপযুক্ত **ভাষাত** প্ৰদান কৰা যাতে ছাত্ৰ-ছাত্ৰীয়ে বুজিব পাৰে
- সঠিক সময়ত **দিয়া** যদি খুব আগতীয়াকৈ দিয়া হয়, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে ভাবিব - 'মই সেয়া কৰিবলৈ লৈছিলোয়েই', আৰু পলমকৈ দিলে ছাত্ৰ-ছাত্ৰীৰ মনযোগ আন ক'ৰবাত থাকিব আৰু কৰিবলৈ দিয়া কাম ঘূৰি আহি কৰিবলৈ ইচ্ছা নকৰিব।

প্ৰতিপুষ্টি কোৱাই হওক বা ছাত্ৰ-ছাত্ৰীৰ বহীত লিখাই হওক, তলত দিয়া নিৰ্দেশনাৱলী অনুসৰণ কৰিলেহে ই অধিক কাৰ্যকৰী হৈ পৰিব ঃ

### প্ৰশংসা আৰু ইতিবাচক ভাষাৰ ব্যৱহাৰ

আমাক সমালোচনা কৰি বা শুধৰণি কৰি দিয়াতকৈ প্ৰশংসা কৰিলে আৰু উৎসাহ যোগালে আমি বহুগুণে আ ⁄স্ত হওঁ।

সুদৃঢ়কৰণ আৰু ইতিবাচক ভাষাই সমগ্ৰ শ্ৰেণীকে আৰু সকলো বয়সৰ ব্যক্তি কে উৎসাহিত কৰে। মনত ৰাখক যে প্ৰশংসা নিৰ্দিষ্ট হ'ব লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তে তেওঁ কৰা কামৰ ওপৰতহে কেন্দ্ৰীভূত হ'ব লাগে, অন্যথা ই ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ সহায়ক নহ'ব । 'ভাল কৰিছা' বোলা কথাষাৰ নিৰ্দিষ্ট নহয়, সেয়ে তলত দিয়াবোৰৰ এটা কোৱাটোহে ভালঃ




## সোঁৰৰাই দিয়াৰ লগতে শুধৰণি কৰা

আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বিনিময় কৰা কথা-বাৰ্তাই তেওঁলোকক শিকনত সহায় কৰে। আপুনি যদি তেওঁলোকক কয় যে এটা উত্তৰ ভুল আৰু তাতেই যদি কথা শেষ কৰে, তেন্তে আপুনি তেওঁলোকক ভবাই তোলা আৰু নিজেই সমাধান কৰাৰ চেষ্টা কৰাত সহায় কৰাৰ সুযোগ হেৰুৱাব। আপুনি যদি ছাত্ৰ-ছাত্ৰীক ইংগিত দিয়ে বা আন এটা প্ৰ.ন সোধে, তেন্তে আপুনি তেওঁলোকক অধিক গভীৰলৈ গৈ চিন্তা কৰা আৰু উত্তৰ নিজে বিচাৰি উলিওৱা তথা নিজৰ শিক্ষালাভৰ দায়িত্ব নিজেই লোৱাৰ বাবে উৎসাহিত কৰা হ'ব। উদাহৰণস্বৰূপে, তলত দিয়া ধৰণৰ কথা কৈ আপুনি এটা ভাল উত্তৰৰ বাবে উৎসাহিত কৰা বা এটা সমস্যাক বেলেগ এটা দৃষ্টিভংগীৰে বিবেচনা কৰাৰ বাবে উৎসাহিত কৰিব পাৰে ঃ




পৰস্পৰক সহায় কৰাৰ বাবে আন ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰা যথোপযুক্ত হ'ব পাৰে। এনেধৰণৰ মন্তব্য কৰি আপুনি প্ৰ.নটো শ্ৰেণীৰ আন ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰিব পাৰে ঃ




বানান বা সংখ্যা অনুশীলনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক 'হয়' বা 'নহয়' বুলি কৈ শুধৰোৱাতো যথোপযুক্ত হ'ব পাৰে, কিন্তু এই ক্ষেত্ৰতো সিহঁতৰ উত্তৰত উদীয়মান আৰ্হিৰ বাবে, সাদৃশ্য থকাধৰণৰ উত্তৰৰ মাজত যোগসূত্ৰ স্থাপন অথবা এটা বিশেষ উত্তৰ কিয় ভুল সেইবিষয়ে আলোচনা মুকলি কৰা আদিৰ বাবে উৎসাহিত কৰিব পাৰে।

ছাত্ৰ-ছাত্ৰীৰ বাবে নিজেই নিজক শুধৰোৱা বা সমনীয়াৰ দ্বাৰা কৰা শুধৰণি বেছি ফলপ্ৰসূ হয়। যুৰীয়া ভাৱে ছাত্ৰ-ছাত্ৰীক কোনো কাম কৰিবলৈ দি নিজৰ আৰু পৰস্পৰে পৰস্পৰক শুধৰণি কৰাটোক আপুনি উৎসাহিত কৰিব পাৰে। এটা সময়ত কেৱল এটা মাত্ৰ দিশ শুধৰণি কৰাত মনোযোগ দিয়া উচিত যাতে ভ্ৰান্তিৰ সৃষ্টি কৰিব পৰা তথ্যৰ পয়োভৰ নঘটে।

# 7 দলীয় কাৰ্যৰ ব্যৱহাৰ

দলীয় কাৰ্য হৈছে এক প্ৰণালীবদ্ধ, সক্ৰিয়, শিক্ষণ সম্বন্ধীয় কাৰ্যনীতি যিয়ে ছাত্ৰ-ছাত্ৰীৰ সৰু দলক এটা সামূহিক লক্ষ্য আহৰণ কৰিবলৈ উৎসাহিত কৰে। সংৰচনাত্মক ক্ৰিয়া-কলাপৰ দ্বাৰা শিকাৰ বাবে এনে সৰু গোটে অধিক সক্ৰিয় আৰু অধিক কাৰ্যকৰ শিকনত উৎসাহ যোগায়।

## দলীয় কাৰ্যৰ লাভ

যোগাযোগ কৰা, ধাৰণা আৰু ভাব বিনিময় কৰা, আৰু সিদ্ধান্ত লোৱা আদিৰ যোগেদি শিকিবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ বাবে দলীয় কাৰ্য এক ফলপ্ৰসূ উপায় হ'ব পাৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে আন এজনৰ পৰা শিকিবও পাৰে, শিকাবও পাৰে; ই শিক্ষালাভৰ এক শক্তিশালী আৰু সক্ৰিয় ৰূপ।

দলীয় কাৰ্যই ছাত্ৰ-ছাত্ৰীসকলে একেলগে বা দল হৈ বহাতকৈও বহুত অৰ্থ বহন কৰে; এটা স্পষ্ট উদ্দেশ্য আগত ৰাখি বিতৰিত শিকনৰ কামত অৰিহণা যোগাই একেলগে কাম কৰি আগবাঢ়ি যোৱাতো ইয়াত অন্তৰ্ভুক্ত হৈ থাকে। শিকনৰ উদ্দেশ্যে আপুনি দলগত কাম কিয় প্ৰয়োগ কৰিছে সেই সম্পৰ্কে আপুনি নিজে স্পষ্ট হৈ লোৱা প্ৰয়োজন আৰু ভাষণ দিয়াতকৈ, যুৰীয়া কামতকৈ বা শিক্ষাৰ্থীয়ে নিজে কাম কৰাতকৈ ইয়াক কিয় অগ্ৰাধিকাৰ দিয়া উচিত সেয়া জনাতো প্ৰয়োজন। এই দলীয় কাৰ্য সুপৰিকল্পিত আৰু উদ্দেশ্যপূৰ্ণ হ'ব লাগিব।

## দলীয় কাৰ্যৰ পৰিকল্পনা

কেতিয়া আৰু কেনেকৈ আপুনি দলীয় কাৰ্য ব্যৱহাৰ কৰে সেইটো নিৰ্ভৰ কৰিব পাঠ শেষ হোৱালৈ শিকনৰ কি উদ্দেশ্য প্ৰাপ্তি আপোনাৰ কাম্য তাৰ ওপৰত । আপুনি দলীয় কাৰ্য পাঠৰ আৰম্ভণিত, শেষত অথবা মাজভাগত ব্যৱহাৰ কৰিব পাৰে, কিন্তু আপুনি পৰ্যাপ্ত সময় তাৰবাবে দিব লাগিব। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সম্পূৰ্ণ কৰাব খোজা কামৰ বিষয়ে আৰু দলসমূহ কেনেদৰে সংগঠিত কৰিব সেই সম্পৰ্কে ভবাৰ প্ৰয়োজন আছে।

শিক্ষক হিচাপে, দলীয় কাৰ্যত সফল হোৱাতো আপুনি নিশ্চিত কৰিব পাৰে যদিহে আপুনি আগতীয়াকৈ তলত দিয়াসমূহ পৰিকল্পনা কৰে ঃ

- দলীয় ক্ৰিয়া-কলাপৰ লক্ষ্য আৰু প্ৰত্যাশিত ফলাফল
- যিকোনো প্ৰতিপুষ্টি অথবা সংক্ষিপ্ত কামকে ধৰি ক্ৰিয়া-কলাপৰ বাবে আবন্টন কৰা সময়
- দলসমূহ কেনেদৰে ভাগ কৰা যাব ( কিমানটা দল, এটা দলত কিমানজন ছাত্ৰ-ছাত্ৰী, দলৰ বাবে চৰ্ত)
- দল কেনেদৰে সংগঠিত কৰিব (দলৰ বিভিন্ন সদস্যৰ ভূমিকা, সময়ৰ প্ৰয়োজনীয়তা, সামগ্ৰী, লিপিবদ্ধকৰণ আৰু প্ৰতিবেদন)
- কোনো মূল্যাংকন তথা লিপিবদ্ধ কেনেদৰে কৰা হ'ব (দলীয় মূল্যাংকনৰ পৰা ব্যক্তি পৰ্যায়ৰ মূল্যাংকনৰ পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখক)
- দলৰ কাম আপুনি কেনেদৰে নিৰীক্ষণ কৰিব।

## দলীয় কাৰ্যৰ কৰ্ম

আপুনি ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ কৰিবলৈ দিয়া কৰ্মৰ ওপৰতে ছাত্ৰ-ছাত্ৰীয়ে কি শিকাতো আপুনি বিচাৰিছে সেইটো নিৰ্ভৰ কৰে। দলীয় কামত ভাগ লৈ তেওঁলোকে কেতবোৰ কৌশল যেনে - পৰস্পৰৰ কথা শুনা, নিজৰ ধাৰণা ব্যাখ্যা কৰা আৰু সহযোগীৰ সৈতে কাম কৰিবলৈ শিকাত সহায় কৰিব। যাহওক, আপুনি শিকোৱা কোনো বিষয়ৰ ওপৰত শিকন লাভ কৰাই তেওঁলোকৰ মূল উদ্দেশ্য। কৰ্মৰ উদাহৰণ তলত দিয়া ধৰণৰ হ'ব পাৰে ঃ

- **উপস্থাপন ঃ** শ্ৰেণীৰ আন সকলোৰে আগত উপস্থাপন কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে দলগতভাৱে প্ৰদৰ্শনৰ প্ৰস্তুতি চলায়। প্ৰতিটো দলে যদি একেটা বিষয়ৰ বিভিন্ন দিশ বাছি লয়, তেন্তে ই অধিক ফলপ্ৰসূ হয়, কিয়নো তেওঁলোকে একেটা বিষয়কে বাৰে বাৰে শুনাতকৈ পৰস্পৰৰ কথা শুনাত উৎসাহী হয়। প্ৰতিটো দলৰ উপস্থাপনৰ সময়ৰ ক্ষেত্ৰত কঠোৰ হওক আৰু ভাল উপস্থাপনৰ বাবে কেতবোৰ চৰ্ত ৰাখক। পাঠৰ আৰম্ভণিৰ পূৰ্বে এইবোৰ ব'ৰ্ডত লিখি থওক। নিজৰ উপস্থাপনৰ পৰিকল্পনা কৰাৰ বাবে আৰু ইজনে সিজনৰ কামৰ মূল্যাংকন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে চৰ্ত ব্যৱহাৰ কৰিব পাৰে। এই চৰ্তত অন্তৰ্ভুক্ত থাকিব পাৰে এইসমূহ বিষয় ঃ

- o উপস্থাপন স্পষ্ট আছিলনে?
- o উপস্থাপন সু-সংৰচিত আছিলনে?
- o উপস্থাপনৰ পৰা কিবা শিকিব পৰা গ'লনে?
- o উপস্থাপনটোৱে মোক চিন্তা কৰিবলৈ বাধ্য কৰিব পাৰিছেনে?

- **সমস্যা সমাধান ঃ** এটা সমস্যা বা সমস্যালানিৰ সমাধানৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে দলগতভাৱে কাম কৰে। বিজ্ঞানৰ এটা পৰীক্ষা কৰা, গণিতৰ এটা অংক কৰা, ইংৰাজীৰ এটা কবিতাৰ বা সাধু বি ষণ কৰা, অথবা ইতিহাসৰ এটা ঘটনা বি ষণ কৰা আদি ইয়াত অন্তৰ্ভুক্ত হ'ব পাৰে।
- **হস্তনিৰ্মিত শিল্প বা সামগ্ৰী তৈয়াৰ ঃ** এটা সাধু, নাটকৰ এক অংশ, গানৰ কলি, এটা ধাৰণা ব্যাখ্যা কৰাৰ বাবে এটা আৰ্হি, এটা সমস্যাৰ ওপৰত এখন প্ৰতিবেদন, এটা বাতৰিৰ প্ৰতিবেদন অথবা তথ্য সংক্ষেপে প্ৰকাশ কৰা বা এটা ধাৰণাৰ ব্যাখ্যাৰ বাবে এখন প'ষ্টাৰ আদি বিকাশ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে দল বান্ধি কাম কৰে। এটা নতুন বিষয় আৰম্ভ কৰাৰ আগতে এখন মানসচিত্ৰ তৈয়াৰ কৰি ল'লে বা চিন্তা-চৰ্চা কৰিলে ছাত্ৰ-ছাত্ৰীসকলে পূৰ্বৰ পৰা কোনবিলাক কথা ইতিমধ্যে জানে তাৰ আভাস পাব পাৰি, ফলত আপুনি পাঠৰ গতি যথোপযুক্ত গতিত আগবঢ়াবলৈ সক্ষম হ'ব পাৰিব।
- **পৃথকীকৃত কৰ্ম ঃ** দলগত কামে বিভিন্ন বয়সৰ অথবা বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক এটা উপযুক্ত কাম একেলগে কৰাৰ সুযোগ দিয়ে। উচ্চ স্তৰৰ ছাত্ৰ-ছাত্ৰীসকল কামৰ বিৰৰণৰ সুযোগৰ দ্বাৰা লাভান্বিত হ'ব পাৰে, য'ত নিম্ন স্তৰৰসকলৰ বাবে এটা শ্ৰেণীতকৈ এটা দলত প্ৰ  সোধাতোঁ সহজ হ'ব পাৰে আৰু তেওঁলোকৰ সহপাঠীৰ পৰা শিকিব পাৰে।
- **আলোচনা ঃ** ছাত্ৰ-ছাত্ৰীয়ে এটা বিষয় বিবেচনা কৰে আৰু তাৰ এটা সমাধানলৈ আহে। ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিকল্প বাছি লোৱাৰ বাবে পৰ্যাপ্ত জ্ঞান থকাতো নিশ্চিত কৰাৰ উদ্দেশ্যে আপোনাক ভাল প্ৰস্তুতিৰ প্ৰয়োজন হ'ব, কিন্তু আলোচনাচক্ৰ বা তৰ্কানুষ্ঠান আপোনাৰ বা ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত ।

## দল সংগঠিতকৰণ

চাৰিজনৰ পৰা আঠজনৰ দল আদৰ্শ হিচাপে ল'ব পাৰি যদিও এয়া আপোনাৰ শ্ৰেণীৰ আকাৰ, বাস্তৱিক পৰিৱেশ আৰু আচবাব আৰু সাফল্য আৰু বয়সৰ পৰিসৰৰ ওপৰত নিৰ্ভৰ কৰিব। আদৰ্শগতভাৱে এটা দলৰ ইজন সদস্যই সিজনক দেখা পোৱা প্ৰয়োজন, নিচিঞৰাকৈ কথা পাতা আৰু দলৰ ফলাফলত অৰিহণা যোগাব লাগে।

- ছাত্ৰ-ছাত্ৰী কেনেকৈ আৰু কিয় দলত ভাগ কৰিব সেই সম্পৰ্কে সিদ্ধান্ত লওক; উদাহৰণস্বৰূপে, আপুনি বন্ধুত্ব, মনোযোগ অথবা সাদৃশ্য অথবা প্ৰাপ্তিৰ ভিত্তিত দল ভগাব পাৰে। বিভিন্ন পদ্ধতি পৰীক্ষা কৰক আৰু তাৰে কোনটো কাৰ্য প্ৰতিটো শ্ৰেণীত উত্তম ৰূপত কাৰ্যকৰী হৈছে সেয়া পুনৰীক্ষণ কৰক।
- দল এটাৰ সদস্যক দিবলগীয়া ভূমিকাসমূহ ঠিৰাং কৰি লওক ( উদাহৰণস্বৰূপে, টোকা লওতা, মুখপাত্ৰ, সময়ৰ হিচাপ ৰখা অথবা সঁজুলি সংগ্ৰহকৰ্তা)।

## দলীয় কাৰ্যৰ পৰিচলনা

আপুনি দলীয় কাৰ্য পৰিচালনা কৰাৰ বাবে নিয়মিত কাৰ্যত্ৰ ম আৰু নিয়ম স্থিৰ কৰিব পাৰে। আপুনি যেতিয়া নিয়মিতভাৱে দলীয় কাম প্ৰয়োগ কৰে, ছাত্ৰ-ছাত্ৰীয়ে আপুনি কি আশা কৰিছে সেয়া জানিব পাৰে আৰু সেয়া উপভোগ্য কৰি তোলে। প্ৰাৰম্ভিক অৱস্থাত একেলগে বা দলীয়ভাৱে কাম কৰাৰ লাভালাভসমূহ শ্ৰেণীৰ সৈতে বহি আলোচনা কৰাতো ভাল। ভাল দলীয় কামৰ আচৰণ কেনে হ'ব লাগে সেয়া আপুনি শ্ৰেণীৰ সৈতে আলোচনা কৰিব লাগে আৰু প্ৰদৰ্শন কৰিব পৰাকৈ নিয়মাৱলীৰ তালিকা প্ৰস্তুত কৰি ল'ব লাগে; উদাহৰণস্বৰূপে, 'পৰস্পৰৰ বাবে সন্মান', 'শ্ৰৱণ', 'পৰস্পৰক সহায়', 'এটাতকৈ অধিক ধাৰণা চেষ্টা কৰা' ইত্যাদি।

দলীয় কামৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা দিয়াতো প্ৰয়োজনীয় যিবিলাক প্ৰসংগৰ বাবে কৃষ্ণফলকত লিখিও থ'ব পাৰি। আপুনি এইসমূহ কৰিব লাগিব ঃ

- আপোনাৰ পৰিকল্পনা অনুযায়ী ছাত্ৰ-ছাত্ৰীসমূহক তেওঁলোকৰ দলত অন্তৰ্ভুক্ত কৰাওক, শ্ৰেণীৰ ঠাই য'ত তেওঁলোকে কাম কৰিব অথবা কোঠাৰ আচবাব বা স্কুলবেগ ইফাল-সিফাল কৰাৰ বাবে নিৰ্দেশ দিয়ক।

- কৰ্ম সম্পৰ্কে স্পষ্ট হৈ লওক আৰু চমু নিৰ্দেশনা বা ছবি আকাৰে সেয়া ব'ৰ্ডত লিখি থওক। আপুনি আৰম্ভ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সোধাৰ অনুমতি দিয়ক।

পাঠৰ মাজত শ্ৰেণীত ঘূৰা- ফুৰা কৰি দলসমূহে কেনেদৰে কাম কৰিছে সেয়া পৰীক্ষা কৰক। যদিহে ছাত্ৰ-ছাত্ৰী কৰ্মৰ পৰা আঁতৰি গৈছে অথবা ক'ৰবাত বৈ গৈছে, তেন্তে পৰামৰ্শ আগবঢ়াওক।

কাৰ্য চলি থকাৰ মাজতো আপুনি দল সলনি কৰাব পাৰে। আপুনি দলীয় কাম সম্পৰ্কে বিশ্বাসী হৈ উঠিলে তলত দিয়া কৌশল দুটা খটুৱাব পাৰে - এয়া বিশেষকৈ এটা ডাঙৰ শ্ৰেণী পৰিচালনা কৰোঁতে সহায়ক হয় ঃ

- **'বিশেষজ্ঞ দল'** ঃ প্ৰতিটো দলকে একোটা বেলেগ বেলেগ কাম দিয়ক, যেনে বিদ্যুত শক্তি উৎপাদনৰ এটা উপায়ৰ গৱেষণা অথবা এখন নাটকৰ এটা চৰিত্ৰৰ বিকাশ। এক উপযুক্ত সময়ৰ পিছত, দলসমূহ আকৌ এবাৰ সংগঠিত কৰক যাতে প্ৰতিটো নতুন দল পূৰ্বৰ দলৰ এজনকৈ 'বিশেষজ্ঞ'ৰ দ্বাৰা গঠিত হয়। তাৰ পিছত তেওঁলোকক এটা কাৰ্য দিয়ক য'ত সকলো বিশেষজ্ঞৰ পৰা জ্ঞান ত্ৰমানুসাৰে সজোৰা হ'ব, যেনে কেনেধৰণৰ শক্তি কেন্দ্ৰ গঢ়া হ'ব তাৰ সিদ্ধান্ত অথবা নাটকৰ এটা অংশ ৰচনা কৰা ।
- **'প্ৰতিনিধি'** ঃ যদি কাৰ্যটোৰ উদ্দেশ্য কিবা তৈয়াৰ কৰা অথবা এটা সমস্যা সমাধান কৰা হয়, কিছু সময়ৰ পিছত, প্ৰতিটো দলকে এজনকৈ প্ৰতিনিধি আন এটা দললৈ পঠিয়াবলৈ কওক। তেওঁলোকে সমস্যা এটাৰ ক্ষেত্ৰত ধাৰণা বা সমাধান তুলনা কৰিব পাৰে আৰু পুনৰ নিজৰ দললৈ আহি তাৰ প্ৰতিবেদন দাখিল কৰিব পাৰে। এনেধৰণে দলসমূহে পৰস্পৰৰ পৰা শিকিব পাৰে।

কাম শেষ হোৱাৰ পিছত কি শিকা হ'ল তাৰ এটা সাৰাংশ তৈয়াৰ কৰি আপোনাৰ চকুত পৰা যিকোনো ভ্ৰান্তি আঁতৰাই দিব লাগে। আপুনি প্ৰতিটো দলৰ পৰা প্ৰতিপুষ্টি শুনিবলৈ ইচ্ছা কৰিব পাৰে, বা ভাল ধাৰণা থকা এটা বা দুটা দলকো সুধিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবেদন চমু কৰক আৰু আন দলে কি বিষয়ত ভাল কৰিছে, কি মনোগ্ৰাহী হৈছে আৰু আগলৈ কি উন্নত কৰাৰ স্থল আছে, সেই বিষয়ৰ ওপৰত তেওঁলোকক প্ৰতিপুষ্টি দিবলৈ উৎসাহিত কৰক।

আপুনি যদিও আপোনাৰ শ্ৰেণীত দলগত কাম কৰাব বিচাৰে, তথাপি এয়া কৰাত আপুনি অসুবিধাৰ সন্মুখীন হ'ব পাৰে কিয়নো কিছুমান ছাত্ৰ-ছাত্ৰীয়ে ঃ

- সত্ৰি য় শিকনৰ প্ৰতি বিকৰ্ষিত আৰু নিজকে জড়িত নকৰে
- প্ৰভাৰশালী
- ব্যক্তি স্তৰত যোগাযোগৰ কৌশল কম বা আত্মবিশ্বাসৰ অভাৱৰ বাবে অংশগ্ৰহণ নকৰে।

দলগত কাম পৰিচালনা কৰাৰ ক্ষেত্ৰত কাৰ্যকৰী হ'বলৈ হ'লে ওপৰৰ আটাইকেইটা বিষয়ত চিন্তা কৰা প্ৰয়োজন, তাৰ লগতে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ শিকনৰ কিমানখিনি আহৰণ কৰিব পাৰিছে আৰু কিমান ভালদৰে সঁহাৰি জনাব পাৰিছে সেয়া বিবেচনা কৰক (তেওঁলোক আটাইবোৰ লাভান্বিত হৈছেনে?) দলগত কাম, সমল, সময় অথবা দলৰ সদস্যৰ ক্ষেত্ৰত কিবা পৰিৱৰ্তন কৰাৰ কথা বিবেচনা কৰিলে সাৱধানতাৰে পৰিকল্পনা কৰক।

গৱেষণাত এটা কথা স্পষ্ট হৈছে যে দলগত শিকন সকলো সময়তে ছাত্ৰ-ছাত্ৰীৰ সফলতাৰ ইতিবাচক প্ৰভাৱ পেলোৱাৰ বাবে ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাই, গতিকে প্ৰতিটো পাঠতে সেয়া ব্যৱহাৰ কৰাৰ বাবে আপুনি বাধ্য বুলি অনুভৱ নকৰাই উচিত। আপুনি দলগত কামক পৰিপূৰক কৌশল হিচাপে ব্যৱহাৰ কৰাৰ কথা বিবেচনা কৰিব পাৰে, উদাহৰণস্বৰূপে এটা বিষয়ৰ পৰিৱৰ্তনৰ সময়ত বিৰতি হিচাপে অথবা শ্ৰেণীৰ আলোচনাৰ বাবে কৰা জাম্প-ষ্টাৰ্ট হিচাপে প্ৰয়োগ কৰিব পাৰে। ইয়াক আইচব্ৰেকাৰ অৰ্থাৎ বাটকটীয়া হিচাপে অথবা শ্ৰেণীকোঠাত পৰীক্ষণমূলক শিকন ত্ৰি য়া-কলাপ আৰু সমস্যা সমাধানৰ অনুশীলন হিচাপে অথবা বিষয় এটা পুনৰীক্ষণ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে।

# 4 অগ্রগতি আৰু সাফল্যৰ মূল্যায়ন

## ছাত্ৰ-ছাত্ৰীৰ শিকনক মূল্যায়ন কৰাৰ দুটা উদ্দেশ্য আছে ঃ

- যোগাত্মক মূল্যায়নে অতীতলৈ উভতি গৈ ইতিমধ্যে কি শিকা হৈছে তাৰ ওপৰত এটা মতামত বিচাৰ কৰে। গ্ৰেডৰ ভিত্তিত পতা পৰীক্ষাৰ আধাৰত এই কাম পৰিচালনা কৰা হয়, য'ত প্ৰ.নবোৰৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীৰ সফলতা নিৰ্ধাৰণ কৰা হয়। ফলাফলৰ প্ৰতিবেদন প্ৰস্তুত কৰাতো ই সহায় কৰে।
- গঠনমূলক মূল্যায়নত (অথবা শিক্ষালাভৰ মূল্যায়ন) সম্পূৰ্ণ বেলেগ, যিটো অনানুষ্ঠানিক আৰু নিদানিক প্ৰকৃতিৰ হ'ব লাগে। শিকন প্ৰক্ৰি য়াৰ এটা অংশ হিচাপে শিক্ষকে ইয়াক ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে, ছাত্ৰ-ছাত্ৰীয়ে কিবা বুজি পাইছে নে নাই সেয়া পৰীক্ষা কৰাৰ বাবে প্ৰ.ন কৰা। এই মূল্যায়নৰ ফলাফলসমূহ পৰৱৰ্তী শিক্ষালাভৰ অভিজ্ঞতা সলনি কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। নিৰীক্ষণ আৰু প্ৰতিপুষ্টি প্ৰদান গঠনমূলক মূল্যায়নৰ এটা অংশ।

গঠনমূলক মূল্যায়নে শিক্ষালাভৰ প্ৰক্ৰি য়াক বিকশিত কৰে, কাৰণ শিকিবৰ বাবে প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে ঃ

- তেওঁলোকে কি শিকাৰ আশা কৰা হৈছে সেয়া বুজি পাব লাগিব
- তেওঁলোকে সেই শিক্ষাৰ কি পৰ্যায়ত আছে সেয়া জানিব লাগিব
- তেওঁলোকে কেনেদৰে অগ্ৰগতি লাভ কৰিব পাৰিব সেয়া জানে (অৰ্থাৎ কি পঢ়িব লাগিব আৰু কেনেদৰে পঢ়িব লাগিব)
- কেতিয়া লক্ষ্য আৰু প্ৰত্যাশিত ফলাফল লাভ কৰিব সেই বিষয়ে তেওঁলোকে জানিব লাগিব।

শিক্ষক হিচাপে আপুনি প্ৰতিটো পাঠতে যদি ওপৰৰ চাৰিটা কথা মনত ৰাখে তেন্তে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ভাল ফলাফল পাব। এইদৰে শিক্ষণৰ পূৰ্বে শিক্ষণৰ সময়ত আৰু শিক্ষণৰ পাছত মূল্যায়ন কৰিব পাৰি।

- **শিক্ষণৰ পূৰ্বে কৰা মূল্যায়ন ঃ** আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দেশনাৰ পূৰ্বে কি জানে আৰু কি কৰিব পাৰে তাৰ চিনাক্ত কৰণত এই মূল্যায়নে সহায় কৰে। আপোনাৰ শিক্ষণ পৰিকল্পনাৰ বাবে ই আপোনাক আৰম্ভণি কৰা আৰু আধাৰ নিৰ্ণয় কৰাত সহায় কৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি জানে আগতীয়াকৈ বুজ লৈ থ'লে তেওঁলোকে জনা অথবা জানিবলগীয়া বিষয় এটা (যিটো এতিয়াও তেওঁলোকে নাজনে) এৰি যোৱাৰ সম্ভাৱনা কমি যায়।
- **শিক্ষণৰ সময়ত কৰা মূল্যায়ন ঃ** শ্ৰেণীকোঠাত শিক্ষণ চলি থকা সময়ত কৰা মূল্যায়নত ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু অগ্ৰগতি হৈছে নে নাই সেয়া পৰীক্ষা কৰা হয়। ইয়ে আপোনাৰ শিক্ষণৰ পদ্ধতি, সমল আৰু কাৰ্যকলাপ সালসলনি কৰাত সহায় কৰিব। প্ৰত্যাশিত উদ্দেশ্যৰ দিশে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকল কেনেদৰে অগ্ৰসৰ হৈছে আৰু আপোনৰ শিক্ষণ কিমান সফল হৈছে সেয়া ভালদৰে বুজাত এই মূল্যায়নে সহায় কৰিব।
- **শিক্ষণৰ পাছত কৰা মূল্যায়ন ঃ** শিক্ষণৰ পিছৰ মূল্যায়নে ছাত্ৰ-ছাত্ৰীয়ে কি শিকিছে, কোনে শিকিছে আৰু কাক এতিয়াও সঁহাৰিৰ প্ৰয়োজন সেয়া নিশ্চিত কৰে। আপোনাৰ শিক্ষণৰ উদ্দেশ্য ফলপ্ৰসূ হৈছে নে নাই সেয়া মূল্যায়ন কৰাত ই আপোনক সহায় কৰিব।

### শিক্ষণৰ পূৰ্বে ঃ আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব সেই সম্পৰ্কে স্পষ্ট হৈ লওক।

আপোনৰ ছাত্ৰ-ছাত্ৰীয়ে এটা পাঠ বা এলানি পাঠৰ পৰা কি শিকিব তাৰ সিদ্ধান্ত লওঁতে আপুনি সেইবিষয়ে তেওঁলোকৰ লগত বিনিময় কৰাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীয়ে কি শিকাতো আশা কৰা হৈছে আৰু আপুনি তেওঁলোকক কি কৰিব দিছে এই দুটাৰ মাজত সা ৱধানে স্পষ্ট হৈ লওক। ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃততে বুজি পাইছেনে নাই সেইয়া মূল্যায়ন কৰাৰ সুযোগ লাভ কৰিবৰ বাবে এটা মুক্ত প্ৰ.ন সোধক। উদাহৰণস্বৰূপে ঃ



ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ দিয়াৰ আগতে তেওঁলোকক ভাবিবলৈ সময় দিয়ক। যোৰ পাতি বা দল হিচাপত ভাগ হৈ প্ৰথমতে আলোচনা কৰিবলৈ কওক। তেওঁলোকে যেতিয়া আপোনাক উত্তৰ দিব, তেতিয়াই তেওঁলোকে শিকিবলগীয়া খিনি বুজি পাইছেনে নাই সেই কথা আপুনি জানিব।

**মূল্যায়নৰ পূৰ্বে ঃ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ শিকনৰ কি পৰ্যায় পাইছে সেয়া জানি লওক।**

আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে আগ্ৰগতি লাভ কৰাত সহায় কৰিবলৈ হ'লে তেওঁলোকৰ বৰ্তমানৰ জ্ঞান আৰু বোধক্ষমতাৰ স্থিতি আপুনি আৰু তেওঁলোক দুয়োপক্ষই জানিব লাগিব। আপোনাৰ শিকনৰ ফলাফল বা লক্ষ্য এবাৰ তেওঁলোকক জনোৱাৰ পিছত আপুনি তলত দিয়াখিনি কৰিব পাৰে ঃ

- ছাত্ৰ-ছাত্ৰীক তেওঁলোকে কি জানে সেই সম্পৰ্কে মানসচিত্ৰ (Mind map) বা তালিকা এখন তৈয়াৰ কৰাৰ বাবে কওক; সেয়া সম্পূৰ্ণ কৰাৰ বাবে যথেষ্ট সময় দিয়ক। কিন্তু খুব কম ধাৰণা সম্পন্নসকলৰ ক্ষেত্ৰত দীঘলীয়া নকৰিব। ইয়াৰ পিছত আপুনি সেই চিত্ৰ বা তালিকা পুনৰীক্ষণ কৰা উচিত।
- ব'ৰ্ডত প্ৰয়োজনীয় শব্দাৱলী লিখক আৰু প্ৰতিটো শব্দৰ বিষয়ে তেওঁলোকে কি জানে সেয়া স্বেচ্ছাই ক'বলৈ দিয়ক। তাৰপিছত শ্ৰেণীৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে শব্দটো জানে তেওঁলোকৰ বুঢ়া আঙুলি ওপৰমুৰা কৰিবলৈ দিয়ক। যদি একেবাৰে নাজানে বা খুব কম জানে তেন্তে বুঢ়া আঙুলি তলমুৰা আৰু যদি কিছু জানে তেন্তে বুঢ়া আঙুলি আনুভূমিক কৰি ৰাখিবলৈ কওক।

ক'ত আৰম্ভ কৰিব লাগিব সেয়া আপুনি জনা মানে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটা পাঠ প্ৰাসংগিক আৰু গঠনাত্মকভাৱে আপুনি পৰিকল্পনা কৰিব পাৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কিমান ভালদৰে শিকিছে সেয়া তেওঁলোকে মূল্যায়ন কৰিবলৈ সমৰ্থ হ'ব লাগিব যাতে পৰৱৰ্তী সময়ত কি শিকিব লাগিব সেয়া আপুনি আৰু তেওঁলোকে বুজিব পাৰে। নিজৰ শিক্ষালাভৰ দায়িত্ববোৰ ছাত্ৰ-ছাত্ৰীয়ে নিজে লোৱাৰ সুযোগ দিয়াটোৱে তেওঁলোকক জীৱনজোৰা শিকাৰু কৰি তোলাত সহায়ক হ'ব।

**মূল্যায়নৰ সময়ত ঃ ছাত্ৰ-ছাত্ৰীৰ শিকন অগ্ৰগতি নিশ্চিতকৰণ**

আপুনি যেতিয়া ছাত্ৰ-ছাত্ৰীৰ লগত তেওঁলোকৰ সাম্প্ৰতিক অগ্ৰগতিৰ বিষয়ে কথা পাতে, তেওঁলোকে আপোনাৰ প্ৰতিপুষ্টি উপকাৰী আৰু গঠনাত্মক হিচাপে পোৱাতো নিশ্চিত কৰক। এনেদৰে নিশ্চিত কৰিব পাৰে ঃ

- ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ সামৰ্থ জনাত আৰু ভৱিষ্যতে কেনেকৈ আগবাঢ়ি যাব পাৰিব
- ভৱিষ্যত বিকাশৰ বাবে কি প্ৰয়োজন হ'ব সেই সম্পৰ্কে স্পষ্ট কৰি
- তেওঁলোকৰ শিকন বিকাশ কেনেদৰে কৰা হ'ব সেই সম্পৰ্কে ইতিবাচক দৃষ্টিভংগী ৰখা, আপোনাৰ পৰামৰ্শ তেওঁলোকে কেনেদৰে অনুভৱ কৰে আৰু ব্যৱহাৰ কৰে সেয়া পৰীক্ষা কৰি

ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ শিকনৰ উন্নতিৰ বাবে আপুনি সুযোগ দিয়াৰ প্ৰয়োজন। ইয়াৰ অৰ্থ এয়ে যে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ কি পৰ্যায়ত আছে আৰু কি পৰ্যায়ত তেওঁলোক থকাতোঁ আপুনি বিচাৰে তাৰ মাজত থকা ব্যৱধান পূৰণ কৰাৰ উদ্দেশ্যে আপুনি আপোনাৰ পাঠ পৰিকল্পনাৰ সালসলনি ঘটাবলগীয়া হ'ব পাৰে। এয়া কৰাৰ উদ্দেশ্যে আপুনি কৰিব লাগিব ঃ

- তেওঁলোকে ইতিমধ্যে জনা বিষয়ৰ ওপৰত অৱলোকন কৰা
- ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুযায়ী দলত ভাগ কৰি তেওঁলোকক বেলেগ বেলেগ কাম কৰিবলৈ দিয়া
- নিজৰ ব্যৱধান নিজে পূৰণ কৰাৰ বাবে তেওঁলোকক কি সমলৰ প্ৰয়োজন হ'ব সেই সম্পৰ্কে সিদ্ধান্ত লোৱাৰ বাবে উৎসাহিত কৰা
- 'ল' এন্ট্ৰি, হাই চিলিং' জাতীয় কাৰ্য ব্যৱহাৰ কৰক যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে অগ্ৰগতি লাভ কৰিব পাৰে - এনে কাম এনেধৰণে সজোৱা থাকে যে সকলো ছাত্ৰ-ছাত্ৰীয়ে এয়া কৰিব পাৰে আৰু অধিক সমৰ্থজনেও সীমাবদ্ধ হৈ থাকিব নালাগে আৰু তেওঁলোকৰ শিকনত অগ্ৰগতি লাভ কৰিব পাৰে।

পাঠৰ গতি কমাই আনি আপুনি আচলতে শিকনৰ গতি বঢ়াই তুলিব পাৰে কিয়নো আপুনি ছাত্ৰ-ছাত্ৰীক তেওঁলোকে ক'ত উন্নতি কৰিব লাগিব সেই কথা বিবেচনা কৰাৰ বাবে সময় আৰু আত্মবি ধাস দিব। ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ নিজৰ মাজত কাম সম্পৰ্কে কথা পাতিবলৈ দিলে, আৰু ক'ত ব্যৱধান সৃষ্টি হৈছে তাৰ ওপৰত চিন্তা কৰিবলৈ দিলে, আপুনি তেওঁলোকক নিজকে মূল্যায়ন কৰিবলৈ সুযোগ দিয়া হ'ব।

**মূল্যায়নৰ পিছত ঃ প্ৰমাণ সংগ্ৰহ, ব্যাখ্যা আৰু ভৱিষ্যতৰ বাবে পৰিকল্পনা।**

শিক্ষণ-শিকনৰ সময়ত আৰু শ্ৰেণীকৰ্ম বা গৃহকৰ্ম দিয়াৰ পিছত এই কথা প্ৰয়োজনীয় ঃ

- আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কিমান ভালকৈ কৰিছে তাক বিচাৰি উলিৱাওক
- সেইসমূহক আপোনাৰ পৰৱৰ্তী পাঠ প্ৰস্তুত কৰাৰ বাবে ব্যৱহাৰ কৰক
- ছাত্ৰ-ছাত্ৰীক ইয়াৰ প্ৰতিপুষ্টি জনাওক।

মূল্যায়নৰ চাৰিটা মূল অৱস্থা তলত আলোচনা কৰা হৈছে।

## প্ৰমাণ বা তথ্য সংগ্ৰহ কৰা

প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ধৰণে নিজৰ গতি আৰু শৈলীত বিদ্যালয়ৰ বাহিৰে-ভিতৰে শিকে। সেয়েহে, ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰাৰ সময়ত আপুনি দুটা কাম কৰা উচিত ঃ

- আপোনাৰ নিজৰ অভিজ্ঞতা, ছাত্ৰ-ছাত্ৰী, ছাত্ৰ-ছাত্ৰী, অন্যান্য ছাত্ৰ-ছাত্ৰী, অন্যান্য শিক্ষক, অভিভাৱক আৰু সমাজৰ লোকৰ পৰা তথ্য সংগ্ৰহ কৰক।
- ছাত্ৰ-ছাত্ৰীক ব্যক্তি স্তৰত, যোৰ হিচাপত মূল্যায়ন কৰক আৰু স্ব-মূল্যায়নৰ বাবে উৎসাহিত কৰক। বিভিন্ন পদ্ধতিৰ ব্যৱহাৰ প্ৰয়োজনীয়, কিয়নো এটা মাত্ৰ পদ্ধতিয়ে আপোনাক প্ৰয়োজন হোৱা সকলো তথ্য দিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষালাভ তথা অগ্ৰগতি সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰাৰ বিভিন্ন পদ্ধতি হৈছে পৰ্যৱেক্ষণ, শ্ৰৱণ, বিষয় আৰু মূলভাৱ আলোচনা, আৰু লিখিত শ্ৰেণী আৰু গৃহকৰ্ম পুনৰীক্ষণ কৰা আদি।

## লিপিবদ্ধকৰণ

ভাৰতৰ প্ৰায় সকলো বিদ্যালয়তে লিপিবদ্ধকৰণৰ সাধাৰণ পদ্ধতি হৈছে প্ৰতিবেদন কাৰ্ড। কিন্তু ই ছাত্ৰ-ছাত্ৰীৰ শিকন বা আচৰণৰ সকলো দিশ সামৰি ল'ব নোৱাৰে। ইয়াৰ বাবে কেতবোৰ সহজ উপায় আছে যিবোৰ আপুনি বিবেচনা কৰিব পাৰে, যেনে ঃ

- শিকন-শিক্ষণ প্ৰক্ৰি য়া চলি থকাৰ সময়ত আপুনি কি লক্ষ্য কৰিছে সেয়া এটা দিনলিপি /টোকাবহী/পঞ্জীয়ন বহীত টুকি ৰখা
- ছাত্ৰ-ছাত্ৰীৰ কামৰ নমুনা ৰাখি (লিখিত, ছবি, হাতৰ কাম, কবিতা ইত্যাদি) এটা প'ৰ্টফলিও বনোৱা
- প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ এটা প্ৰ'ফাইল তৈয়াৰ কৰা
- ছাত্ৰ-ছাত্ৰীৰ যিকোনো অস্বাভাৱিক ঘটনা, পৰিৱৰ্তন, সমস্যা, মজবুত দিশ আৰু শিকন লাভৰ সাক্ষ্য আদিৰ টোকা ৰখা।

## তথ্যৰ ব্যাখ্যা কৰা

এবাৰ তথ্য আৰু সাক্ষ্য সংগ্ৰহ কৰি লিপিবদ্ধ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে শিকিছে আৰু অগ্ৰগতি লাভ কৰিছে সেয়া বুজাৰ বাবে সংগৃহীত তথ্য আৰু প্ৰমাণ বুজি লোৱা উচিত। ইয়াৰ বাবে গুৰুত্ব সহকাৰে কৰা চিন্তন আৰু বি ষণৰ প্ৰয়োজন। ইয়াৰ পিছত আপুনি আপোনাৰ ফলাফল অনুসৰি শিকনৰ উন্নতিৰ বাবে কাম কৰিব লাগিব। এয়া ছাত্ৰ-ছাত্ৰীলৈ প্ৰতিপুষ্টি প্ৰদানৰ যোগেদি হ'ব পাৰে অথবা নতুন সমল বিচৰা, দলসমূহ পুনৰ সংগঠিত কৰা, অথবা এটা শিকন বিন্দু পুনৰাই দোহৰা আদি হ'ব পাৰে।

## উন্নীতকৰণৰ বাবে পৰিকল্পনা

বিশেষ আৰু বিভিন্ন শিকন ত্ৰি য়া-কলাপৰ দ্বাৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে অৰ্থপূৰ্ণ শিকন সুযোগ প্ৰদান কৰাত, অধিক সহায়ৰ প্ৰয়োজন হোৱা ছাত্ৰ-ছাত্ৰীক মনোযোগ দিয়াত আৰু আগবঢ়া ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যাহ্বান জনোৱাত মূল্যায়নে আপোনাক সহায় কৰিব পাৰে।

# 9 স্থানীয় সমলৰ ব্যৱহাৰ

শিক্ষণত পাঠ্যপুথিৰ উপৰিও শিক্ষাদানৰ বিভিন্ন সমল ব্যৱহাৰ কৰিব পাৰি। যদি আপুনি বিভিন্ন ইন্দ্ৰিয়ৰ ব্যৱহাৰেৰে শিক্ষালাভৰ বাবে পদ্ধতি আগবঢ়ায় (দৃশ্য, শ্ৰাব্য, স্পৰ্শ, গোন্ধ, সোৱাদ) আপুনি ছাত্ৰ-ছাত্ৰীয়ে শিকাৰ বিভিন্ন পথ দেখুৱাব পাৰিব। আপোনাৰ চৌপাশে যথেষ্ট সমল আছে যিবোৰ আপুনি শ্ৰেণাকোঠাত ব্যৱহাৰ কৰিব পাৰে আৰু যিয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ শিকনত সহায় কৰিব পাৰে। খুব কম খৰছতে বা একো খৰছ নোহোৱাকৈ এখন বিদ্যালয়ে নিজস্ব শিক্ষাদানৰ সমল প্ৰস্তুত কৰিব পাৰে । এই সমলসমূহ স্থানীয়ভাৱে উপলব্ধ হ'লে আপোনাৰ আৰু পাঠ্যত্ৰ মৰ মাজৰ যোগসূত্ৰ অটুট থাকে।

আপোনাৰ তাৎক্ষণিক পৰিৱেশত বহল ভিত্তিৰ বিষয়ত বিশেষ দক্ষতা থকা ব্যক্তি আপুনি পাব; বহল পৰিসৰত প্ৰাকৃতিক সমলো আপুনি লাভ কৰিব। স্থানীয় সমাজৰ লগত আপোনাৰ যোগসূত্ৰ স্থাপনত ই আপোনাক সহায় কৰিব, ইয়াৰ মূল্য প্ৰদৰ্শন কৰিব, তেওঁলোকৰ চৌপাশৰ পৰিৱেশৰ বৈচিত্ৰ্য আৰু সমৃদ্ধতা চাবলৈ উৎসাহিত কৰিব, আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথা এয়ে যে ই সম্ভৱতঃ শিক্ষালাভ অৰ্থাৎ বিদ্যালয়ৰ বাহিৰে-ভিতৰে শিকনৰ বাবে উদাৰ দৃষ্টিভংগী গঢ়াৰ বাবে কাম কৰাত সহায় কৰিব।

## আপোনাৰ শ্ৰেণীকোঠাক সৰ্বোচ্চ স্তৰত ব্যৱহাৰ কৰাৰ চেষ্টা কৰক

মানুহে নিজৰ ঘৰটো যিমান পাৰে সিমান আকৰ্ষণীয় কৰি তোলাৰ বাবে কষ্ট কৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষালাভৰ বাবে শ্ৰেণীকোঠাৰ ক্ষেত্ৰতো একেটা কথাই খাটে। আপোনাৰ শ্ৰেণীকোঠাৰ লগতে বিদ্যালয়খন শিক্ষালাভৰ বাবে আকৰ্ষণীয় কৰি তোলাৰ বাবে কৰা যিকোনো কামে আপোনাৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলাব। আপোনাৰ বিদ্যালয়খন মনোগ্ৰাহী আৰু আকৰ্ষণীয় কৰি তোলাৰ বাবে কৰিব পৰা কাম বহুত আছে - উদাহৰণস্বৰূপে, আপুনি এইসমূহ কৰিব পাৰে ঃ

- পুৰণা আলোচনী আৰু ব্ৰ'চিঅ'ৰ পৰা প'ষ্টাৰতৈয়াৰ কৰা
- চলিত বিষয়ৰ লগত জড়িত বস্তু আৰু পুৰণা কীৰ্তিচিহ্ন সংগ্ৰহ কৰা
- আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ কাম প্ৰদৰ্শন কৰা
- ছাত্ৰ-ছাত্ৰীক অনুসন্ধিৎসু আৰু নতুন শিকনৰ বাবে উৎসাহী কৰি তোলাৰ বাবে শ্ৰেণীৰ ৰূপ সলনি কৰা ।

## আপোনাৰ শ্ৰেণীলৈ স্থানীয় বিশেষজ্ঞক নিমন্ত্ৰণ কৰক

আপুনি যদি টকা-পইচা বা গণিতৰ পৰিমাণৰ ওপৰত পাঠ লৈ আছে, তেন্তে আপুনি বজাৰৰ বণিক বা পোচাক নিৰ্মাতা আদিক তেওঁলোকে কেনেদৰে তেওঁলোকৰ কামত গণিত ব্যৱহাৰ কৰে সেয়া শ্ৰেণীকোঠাত ব্যাখ্যা কৰিবলৈ আমন্ত্ৰণ জনাব পাৰে। বিকল্প হিচাপে, চিত্ৰকলাৰ আকৃতি বা প্ৰতিৰূপৰ ওপৰত পাঠ লৈ থকাৰ সময়ত আপুনি মেহেন্দী ডিজাইনাৰ এজনক বিভিন্ন আকৃতি, ডিজাইন, পৰম্পৰা আৰু কৌশল আদি বাখ্যা কৰাৰ বাবে শ্ৰেণীলৈ আমন্ত্ৰণ জনাব পাৰে। শৈক্ষিক লক্ষ্যৰ যোগসূত্ৰ সকলোৰে বাবে স্পষ্ট হৈ থাকিলে আৰু সময়ৰ প্ৰত্যাশা বিনিময় হ'লে অতিথি আমন্ত্ৰণে আটাইতকৈ ভালদৰে কাম কৰে।

বিদ্যালয়ৰ সমাজৰ মাজতে আপোনাৰ বিশেষজ্ঞ বাছি ল'ব পাৰে (যেনে ৰান্ধনী অথবা চকীদাৰ) ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শিকনৰ লগত জড়িত বিষয়ত যাৰ সাক্ষাৎকাৰ ল'ব পাৰে। উদাহৰণস্বৰূপে, ৰন্ধনত ব্যৱহাৰ হোৱা বস্তুৰ পৰিমাণ, অথবা কেনেদৰে বতৰৰ পৰিৱৰ্তনে বিদ্যালয় গৃহ আৰু মুকলি ঠাইত প্ৰভাৱ পেলায়।

## বাহিৰৰ পৰিৱেশৰ ব্যৱহাৰ

আপোনাৰ শ্ৰেণীৰ বাহিৰত বৃহৎ পৰিসৰৰ সমল আছে যিবোৰ আপুনি পাঠত ব্যৱহাৰ কৰিব পাৰে। আপুনি কিছুমান বস্তু সংগ্ৰহ কৰিব পাৰে (বা আপোনাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক সংগ্ৰহ কৰিবলৈ ক'ব পাৰে) যেনে পাত, মকৰা, পুলি, পোক-পতংগ, শিল অথবা কাঠ আদি। এনে সমল শ্ৰেণীলৈ আনিলে শ্ৰেণীৰ পৰিৱেশ আকৰ্ষণীয় হৈ পৰিব আৰু শিক্ষাদানত ব্যৱহাৰ কৰিব পৰা যায়। তেওঁলোকে শ্ৰেণীত আলোচনা বা পৰীক্ষণৰ বাবে বস্তু যোগান ধৰিব পাৰে যেনে শ্ৰেণীবিভাগ, অথবা জীৱিত বা জড় বস্তু আদি। কিছুমান সমল যেনে বাছৰ সময় তালিকা অথবা বিজ্ঞাপন আদি স্থানীয় লোকৰ হাতত নিশ্চয় থাকিব পাৰে আৰু সেইবিলাক সামগ্ৰী চিনাক্তকৰণ, গুণাগুণৰ তুলনা বা ভ্ৰমণৰ সময় গণনা কৰা আদি কামৰ বাবে আপোনাৰ শ্ৰেণীত শিকন সমলৰ কাম কৰিব পাৰে।

বাহিৰৰ পৰা অনা সামগ্ৰীয়ে আপোনাৰ শ্ৰেণীত সমলৰ কাম কৰিব পাৰে - কিন্তু আপোনাৰ শ্ৰেণীকোঠাটোকো বাহিৰলৈ বিস্তাৰিত কৰিব পাৰে। বাহিৰৰ পৃথিৱীখনত চলা-ফুৰা কৰাৰ বাবে যথেষ্ট ঠাই থাকে আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে সহজেই চাব পাৰে। আপুনি যেতিয়া শিক্ষণৰ বাবে আপোনাৰ শ্ৰেণীক বাহিৰলৈ নিয়ে, তেতিয়া তেওঁলোকে তলত দিয়া ধৰণৰ কাম কৰিব পাৰে ঃ

- দূৰত্ব মাপন আৰু নিৰ্ধাৰণ
- এই কথা প্ৰদৰ্শন কৰক যে বৃত্ত এটাৰ প্ৰতিটো বিন্দু কেন্দ্ৰবিন্দুৰ পৰা সমান দূৰত্বত থাকে
- দিনৰ বিভিন্ন সময়ত ছাঁৰ জোখ লিপিবদ্ধ কৰা
- চিহ্ন আৰু নিৰ্দেশনা পঢ়া
- সাক্ষাৎকাৰ লোৱা আৰু সমীক্ষা চলোৱা
- সৌৰ পেনেলৰ স্থানাংক নিৰ্ণয় কৰা/সৌৰ ফলক চিনাক্ত কৰণ
- শস্যৰ বৃদ্ধি আৰু বৃষ্টি পৰ্যৱেক্ষণ

বাহিৰৰ জগতখনত তেওঁলোকৰ শিকন বাস্তৱিকতাৰ ওপৰত প্ৰতিষ্ঠিত আৰু নিজস্ব অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল আৰু আন প্ৰসংগলৈ স্থানান্তৰ কৰা সহজ।

আপুনি যদি বাহিৰৰ কামৰ বাবে বিদ্যালয়ৰ চৌহদ এৰিবলগীয়া হয়, তেন্তে বিদ্যালয়ৰ মুৰব্বীৰ অনুমতি ল'ব লাগিব, সময় পৰিকল্পনা কৰিব লাগিব, সুৰক্ষাৰ বিষয়টো চিন্তা কৰি চাব লাগিব আৰু নিয়মসমূহ ছাত্ৰ-ছাত্ৰীক স্পষ্টকৈ জনাব লাগিব। আপোনালোকে বিদ্যালয় এৰাৰ পূৰ্বে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি শিকিব সেই সম্পৰ্কে জানিব লাগিব।

## সমলৰ অভিযোজন

আপুনি ইতিমধ্যে মজুত থকা সমল ব্যৱহাৰ কৰিব পাৰে যিবোৰত আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক যথোপযুক্ত কৰি তুলিব লাগিব। এই পৰিৱৰ্তন খুব কম পৰিমাণৰ হ'ব পাৰে কিন্তু ই বৃহৎ পৰিৱৰ্তন আনিবলৈ সক্ষম, যদিহে আপুনি শিকনক শ্ৰেণীৰ সকলোৰে বাবে প্ৰাসংগিক কৰি তুলিব বিচাৰিছে। উদাহৰণস্বৰূপে, যদি তেওঁলোকে আন সম্পৰ্ক স্থাপন কৰিব পাৰে, তেন্তে আপুনি ৰাজ্যৰ নাম, ঠাইৰ নাম আৰু মানুহৰ নাম সলনি কৰিব পাৰে, অথবা এটা গীতত ব্যক্তিৰ লিংগ সলনি কৰিব পাৰে, অথবা এটা সাধুত বিকলাংগ শিশুৰ চৰিত্ৰৰ অৱতাৰণা ঘটাব পাৰে। এইধৰণে আপুনি শ্ৰেণী আৰু তেওঁলোকৰ শিক্ষালাভৰ বাবে সমলসমূহ অধিক অন্তৰ্ভুক্ত আৰু যথাৰ্থ কৰি তুলিব পাৰে।

আপুনি দক্ষ হ'বৰ বাবে আপোনাৰ সহকৰ্মীৰ লগত কাম কৰক। আপুনি সমল সৃষ্টি আৰু গ্ৰহণ কৰাৰ বাবে যথেষ্ট কৌশল আয়ত্ব কৰিবলৈ সক্ষম হ'ব। এজন সহকৰ্মী সংগীতত কৌশলী হোৱাৰ বিপৰীতে আন এজন পুতলা বনোৱা বা বিজ্ঞানত কৌশলী হ'ব পাৰে। আপুনি আপোনাৰ শ্ৰেণীত ব্যৱহাৰ কৰা সমলসমূহ আপোনাৰ সহকৰ্মীৰ সৈতে বিনিময় কৰিব পাৰে যাতে বিদ্যালয়ত শিক্ষণৰ বাতাৱৰণ সৃষ্টি কৰাত সকলোৰে অৰিহণা যোগায়।

# 10 সাধুকথন, গীত, চৰিত্ৰাভিনয় আৰু নাটক

যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে শিকন অভিজ্ঞতাৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ থাকে তেতিয়াই তেওঁলোকে আটাইতকৈ ভালদৰে শিকে। ছাত্ৰ-ছাত্ৰীৰ শিকনীয় বিষয়টো আনৰ সৈতে আলোচনা কৰি আৰু নিজৰ ধাৰণা বিনিময়ৰ জৰিয়তে তেওঁলোকৰ পাঠ সম্পৰ্কীয় বোধ গভীৰ কৰিব পাৰে। গণিত আৰু বিজ্ঞানকে ধৰি এক বহল পাঠ্যত্ৰমৰ ক্ষেত্ৰতো সাধুকথন, গীত, চৰিত্ৰাভিনয় আৰু নাটক আদি প্ৰয়োগ কৰিব পাৰি।

## সাধুকথন

আমাৰ জীৱনত চেতনাবোধ অনাত সাধুৱে সহায় কৰে। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অসংখ্য সাধু চলি আহিছে। আমি যেতিয়া শিশু হৈ আছিলোঁ তেতিয়া আমাক যিবোৰ সাধু কোৱা হৈছিল তাত আমি জন্মলাভ কৰাৰ সময়ৰ কেতবোৰ নীতি আৰু মূল্যবোধৰ প্ৰতিফলন ঘটিছিল।

সাধুৱে শ্ৰেণীত আটাইতকৈ শক্তিশালী মাধ্যম হিচাপে কাম কৰে ঃ

- ই মনোৰঞ্জনকাৰী, উত্তেজনাপূৰ্ণ আৰু চিন্তা - উদ্দীপক হ'ব পাৰে
- আমাক দৈনন্দিন জীৱনৰ পৰা কল্পনা জগতলৈ লৈ যাব পাৰে
- প্ৰত্যাহ্বানমূলক হ'ব পাৰে
- নতুন ধাৰণা উদ্ৰেককাৰী হ'ব পাৰে
- আৱেগ উদ্ৰেক কৰাত সহায় কৰিব পাৰে
- বাস্তৱিকতাৰ উৰ্ধত থাকি সমস্যা এটাৰ বিষয়ে ভবাত সহায় কৰে, ফলত ভাবুকি কমি আহে।

সাধু এটা কৈ থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ লগত দৃষ্টি বিনিময় কৰক। যদিহে আপুনি বিভিন্ন চৰিত্ৰৰ বাবে বিভিন্ন মাত ব্যৱহাৰ কৰে আৰু ফুচ্‌ফুচোৱাৰ পৰা আৰম্ভ কৰি সময় সাপেক্ষে চিঞৰি মাতৰ তীব্ৰতা কম-বেছ কৰে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে সাধুটো বেছি উপভোগ কৰিব। উদাহৰণস্বৰূপে, সাধুটোৰ মূল ঘটনাসমূহ অনুশীলন কৰক, যাতে আপুনি কিতাপৰ সহায় নোলোৱাকৈ তাক মৌখিকভাৱে আপোনাৰ নিজৰ ভাষাত ক'ব পাৰে। সাধুটো জীৱিত কৰি তুলিবলৈ আপুনি কিছুমান সামগ্ৰী যেনে কাপোৰ আদি শ্ৰেণীলৈ আনিব পাৰে। আপুনি যেতিয়া সাধু এটা ক'বলৈ লয়, ইয়াৰ উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা কৰক আৰু তেওঁলোকে তাৰ পৰা কি শিকিব পাৰে সেই সম্পৰ্কে সজাগ কৰি তোলক। আপুনি মূল শব্দাৱলীৰ অৱতাৰণা কৰিবলগীয়া হ'ব পাৰে অথবা সাধুকথাটো সমৰ্থন কৰিব পৰা ধাৰণাসমূহ সম্পৰ্কে সাৱধান কৰি থ'বলগীয়া হ'ব পাৰে। আপুনি পাৰম্পৰিক সাধুকথা কওঁতা এজনক বিদ্যালয়লৈ আমন্ত্ৰণ জনাব পাৰে, কিন্তু মনত ৰাখক যে কি শিকিব লাগে সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ লগতে সাধু কওঁতাজনো যেন স্পষ্ট হৈ লয়।

সাধুকথন শুনাৰ বাদেও কেতবোৰ ছাত্ৰ-ছাত্ৰীমূলক কাৰ্যকলাপ কৰাৰ বাবে উৎসাহিত কৰিব পাৰে। সাধু এটাত উল্লেখ কৰা সকলো ৰং লিখি থোৱা, ছবি আঁকা, মূল ঘটনা মনত পেলোৱা, সংলাপ সৃষ্টি অথবা সামৰণি সলনি কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক ক'ব পাৰে। তেওঁলোকক দলত ভাগ কৰিব পাৰে আৰু ছবি বা সামগ্ৰী দি সাধুটো অইন এটা দিশৰ পৰা ক'বলৈ দিব পাৰে। এটা সাধু বি ষণ কৰি, ছাত্ৰ-ছাত্ৰীক বাস্তৱৰ পৰা কল্পজগতখন চিনাক্ত কৰাব পাৰে, পৰিঘটনাৰ বাবে বৈজ্ঞানিক ব্যাখ্যা ক'ব পাৰে অথবা গাণিতিক সমস্যা সমাধান কৰাৰ বাবে ক'ব পাৰে।

ছাত্ৰ-ছাত্ৰীয়ে নিজাকৈ সাধু ক'বলৈ ব্যৱস্থা কৰাতোও এক শক্তিশালী সঁজুলি। আপুনি যদি গাঁথনি, সূচী আৰু ভাষা তেওঁলোকক শিকাই দিয়ে, তেন্তে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সাধু, আনকি গণিত বা বিজ্ঞানৰ খুবেই টান ধাৰণাৰ বিষয়েও ক'ব পাৰে। ইয়াৰ প্ৰভাৱ এনেধৰণৰ যে তেওঁলোকে ধাৰণাৰ সৈতে খেলিছে, অৰ্থোদ্ধাৰ কৰিছে আৰু তেওঁলোকক সাধুৰ ৰূপকৰদ্বাৰা বিমূৰ্ত বিষয় বোধগম্য কৰি তুলিছে।

## গীত

শ্ৰেণীকোঠাত গীত আৰু সংগীতৰ ব্যৱহাৰে বিভিন্ন ছাত্ৰ-ছাত্ৰীক অৱিহণা যোগাৰা, সফল হোৱা আৰু উন্নতি কৰাৰ বাট মুকলি কৰিব। একেলগে গান গোৱাত এক বান্ধোনৰ প্ৰভাৱ থাকে আৰু ই সকলো ছাত্ৰ-ছাত্ৰীৰ মনত ঐক্যৰ অনুভৱ জগাই তুলিব পাৰে কিয়নো স্বকীয় গুৰুত্ব ইয়াত নাথাকে। গীতত থকা ছন্দ আৰু লয়ে সংগীত মনত ৰখাত উজু কৰে লগতে ভাষা আৰু উক্তিৰ বিকাশত সহায় কৰে।

আপুনি এজন আত্মবি ধাসী গায়ক নহ'ব পাৰে, কিন্তু আপোনাৰ শ্ৰেণীত নিশ্চয়কৈ ভাল গান গোৱা ছাত্ৰ-ছাত্ৰী আছে যাক আপুনি আপোনাৰ সহায়ৰ বাবে আহ্বান জনাব পাৰে। গীতটো সজীৱ কৰি তোলাৰ বাবে আপুনি অংগ-ভংগী আৰু ইংগিত ব্যৱহাৰ কৰিব পাৰে

আৰু অৰ্থ প্ৰেৰণ কৰাত সহায় কৰিব পাৰে। আপুনি জনা গীত ব্যৱহাৰ কৰিব পাৰে আৰু আপোনাৰ উদ্দেশ্য সিদ্ধি কৰাৰ উদ্দেশ্যে শব্দ সলনি কৰিব পাৰে। তথ্য মনত ৰখা আৰু পুনঃস্মৰণ কৰাৰ এক উজু উপায় হৈছে গীত- আনকি ফৰ্মূলা আৰু তালিকা আদিও গীত বা কবিতাৰ সাঁচত ঢালি ল'ব পাৰি। পুনৰ পঠনৰ বাবে গীত বা মন্ত্ৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত আপোনাৰ ছাত্ৰ-ছাত্ৰী উদ্ভাৱনী গুণসম্পন্ন হ'ব পাৰে।

## চৰিত্ৰাভিনয়

চৰিত্ৰাভিনয় হ'ল য'ত ছাত্ৰ-ছাত্ৰীয়ে এটা চৰিত্ৰত অভিনয় কৰিবলৈ পায়। এটা ক্ষুদ্ৰ দৃশ্যপটত সেই চৰিত্ৰৰ আচৰণ আৰু উদ্দেশ্য অভিযোজন কৰি তেওঁলোকে অভিনয় কৰে আৰু সংলাপ কয়। কোনো ধৰণৰ পাণ্ডুলিপি তেওঁলোকক যোগান ধৰা নহয় যদিও চৰিত্ৰটো সম্পৰ্কে যথেষ্ট তথ্য দিয়া উচিত যাতে তেওঁলোকে চৰিত্ৰটো ভালদৰে বুজি পায়। চৰিত্ৰাভিনয় কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ভাব-আৱেগ স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ কৰিবলৈ উৎসাহিত কৰিব লাগে।

চৰিত্ৰাভিনয়ৰ যথেষ্ট লাভ থাকে কিয়নো ঃ

- আন মানুহৰ আৱেগ উপলব্ধি কৰাৰ বাবে ই বাস্তৱ জীৱনৰ পৰিস্থিতি উদ্‌ঘাটন কৰে
- সিদ্ধান্ত লোৱাৰ কৌশল বিকাশত অৰিহণা যোগায়
- ছাত্ৰ-ছাত্ৰীক শিক্ষালাভত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আৰু সকলো ছাত্ৰ-ছাত্ৰীকে অৰিহণা যোগাবলৈ সমৰ্থবান কৰে
- উচ্চ পৰ্যায়ৰ চিন্তাৰ বাবে উৎসাহ যোগায়।

বিভিন্ন সামাজিক পৰিস্থিতিত কথা কোৱাৰ বাবে আত্মবিশ্বাস গঢ়ি তোলাত চৰিত্ৰাভিনয়ে শিশুক সহায় কৰিব পাৰে। উদাহৰণস্বৰূপে, বিপণিত বস্তু ক্ৰয়ৰ ভাও লোৱা, এটা স্থানীয় মঠলৈ পৰ্যটকক দিশ নিৰ্দেশনা অথবা টিকট কিনা আদি । আপুনি সামান্য সামগ্ৰী লৈ সৰু দৃশ্যপট যেনে 'কেফে', 'ডাক্তৰৰ শৈল্যচিকিৎসা' অথবা 'গ্যাৰেজ' আদি তৈয়াৰ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীক সোধক, 'ইয়াত কোনে কাম কৰে?', 'তেওঁলোকে কি কয়?' আৰু 'আমি তেওঁলোকক কি সোধো?' আৰু এই চৰিত্ৰসমূহত অভিনয় কৰাৰ সময়ত পৰস্পৰৰ লগত কথা পাতিবলৈ দিয়ক আৰু তেওঁলোকৰ ভাষাৰ ব্যৱহাৰ পৰ্যৱেক্ষণ কৰক।

ডাঙৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত চৰিত্ৰাভিনয়ে জীৱনৰ কৌশল আয়ত্ত কৰাত সহায় কৰে। উদাহৰণস্বৰূপে, শ্ৰেণীত, আপুনি সংঘৰ্ষ কেনেদৰে প্ৰশমিত কৰিব লাগে সেয়া উদ্‌ঘাটন কৰিব পাৰে। তাৰ পৰিৱৰ্তে আপোনাৰ বিদ্যালয় বা সমাজৰ সঁচা ঘটনা এটাৰ ব্যৱহাৰ কৰক, য'ত আপুনি একেধৰণৰ কিন্তু ভিন্ন প্ৰেক্ষাপট বৰ্ণনা কৰিব পাৰে যিয়ে একেধৰণৰ বিষয় উদ্‌ঘাটন কৰে। ছাত্ৰ-ছাত্ৰীক চৰিত্ৰ বাছি দিয়ক বা নিজেকে বাছি ল'বলৈ দিয়ক। আপুনি তেওঁলোকক পৰিকল্পনাৰ বাবে সময় দিব পাৰে অথবা সেই চৰিত্ৰত তাৎক্ষণিকভাৱে অভিনয় কৰিবলৈ ক'ব পাৰে। চৰিত্ৰাভিনয় শ্ৰেণীত প্ৰদৰ্শন কৰিব পাৰি, অথবা ছাত্ৰ-ছাত্ৰীয়ে সৰু দলত কাম কৰিব পাৰে। মনত ৰাখিব যে এই কাৰ্যকলাপৰ উদ্দেশ্য হৈছে চৰিত্ৰাভিনয়ৰ অভিজ্ঞতা লাভ আৰু ই কি উদ্‌ঘাটন কৰে সেয়া জনা। আপুনি সুনিপুণ প্ৰদৰ্শনকাৰী অথবা বলিউড অভিনেতাৰ বঁটাৰ বাবে এয়া কৰা নাই। বিজ্ঞান আৰু গণিততো চৰিত্ৰাভিনয় ব্যৱহাৰ কৰা সম্ভৱ । ছাত্ৰ-ছাত্ৰীয়ে পৰমাণুৰ আচৰণৰ আৰ্হি তৈয়াৰ কৰিব পাৰে, কণাৰ বৈশিষ্ট্যসমূহ চৰিত্ৰৰ দ্বাৰা, ইজনে সিজনৰ লগত কথা-বাৰ্তাৰ দ্বাৰা অথবা তাপ অথবা পোহৰৰ প্ৰভাৱ দেখুৱাবলৈ তেওঁলোকৰ আচৰণৰ চৰিত্ৰ তৈয়াৰ কৰি এয়া কৰিব পাৰে। গণিতৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে কোণ আৰু আকৃতিৰ দ্বাৰা সিবিলাকৰ গুণাগুণ আৰু সংযোগ উদ্‌ঘাটন কৰাৰ বাবে চৰিত্ৰাভিনয় কৰিব পাৰে।

## নাটক

প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীকে অনুপ্ৰাণিত কৰাৰ বাবে নাটকৰ ব্যৱহাৰ এটা ভাল কাৰ্যনীতি। নাটকে কৌশল আৰু বিশ্বাসৰ বিকাশ ঘটায় আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে বিষয় এটাৰ বিষয়ে কি বুজি পায় সেয়া মূল্যায়ন কৰাৰ বাবে এয়া ব্যৱহাৰ কৰিব পাৰি। মগজুৱে কেনেদৰে কাম কৰে সেয়া বুজাৰ উদ্দেশ্যে বাৰ্তা এটা কেনেদৰে মগজুৰ পৰা কাণ, চকু, নাক, হাত আৰু মুখলৈ যায় আৰু ঘূৰি আহে সেয়া টেলিফোনৰ ভাও যোগে দেখুৱাব পাৰি। আকৌ খুব চুটিকৈ হাস্যৰসধৰ্মী নাটক য'ত সংখ্যা বিয়োগ কৰাৰ নিয়ম পাহৰিলে কি অৱস্থা হয় সেয়া দেখুৱাই আচলতে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ মনত শুদ্ধ পদ্ধতি স্থায়ী কৰাৰ বাবে তেওঁলোকক সহায় কৰিব পাৰে।

নাটক সদায় প্ৰদৰ্শনমূলক হয়, য'ত বাকী শ্ৰেণী, বিদ্যালয় অথবা অভিভাৱক, অথবা সমাজৰ লোকে দৰ্শক হ'ব পাৰে। এই লক্ষ্যই ছাত্ৰ-ছাত্ৰীক কিবা এটাৰ বাবে কাম কৰাৰ উৎসাহ দিয়ে । নাটক প্ৰস্তুত কৰাৰ সৃষ্টিশীল কামত সমগ্ৰ শ্ৰেণীটোৱেই জড়িত হৈ থাকিব লাগে। আত্মবিশ্বাসৰ স্তৰৰ পাৰ্থক্য বিবেচনা কৰাতো প্ৰয়োজনীয়। প্ৰতিজনেই অভিনেতা হোৱাৰ প্ৰয়োজন নাই; ছাত্ৰ-ছাত্ৰীয়ে আনধৰণেও অৰিহণা যোগাব পাৰে (আয়োজন কৰি, সাজ-সজ্জা, সামগ্ৰী, মঞ্চৰ কাম) যি কাম তেওঁলোকৰ ব্যক্তিত্ব বা প্ৰতিভাৰ সৈতে মিলে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীক সহায় কৰাৰ বাবে আপুনি নাটক কিয় ব্যৱহাৰ কৰি আছে সেয়া বিবেচনা কৰাতো প্ৰয়োজনীয়। এয়া ভাষা (উদাহৰণস্বৰূপে, প্ৰ ্ন সোধা আৰু তাৰ উত্তৰ দিয়া), বিষয়বস্তুৰ জ্ঞান (উদাহৰণস্বৰূপে, খননৰ পৰা পৰিৱেশৰ ওপৰত প্ৰভাৱ), অথবা বিশেষ কৌশল আয়ত্ত কৰা (উদাহৰণস্বৰূপে, দলীয় কাম) বিকাশৰ বাবে নেকি? প্ৰদৰ্শনৰ প্ৰতি লক্ষ্য ৰাখোতে নাটকৰ শিক্ষণ উদ্দেশ্য যাতে নেহেৰুৱায়, তাৰবাবে সাৱধান হওক।

# কৃতজ্ঞতা স্বীকাৰ

এই সামগ্ৰী ৎেয়াৰএলাইক লাইচেন্স নামৰ ত্ৰি য়োটিভ কমন এট্ৰিবিউ ৎনৰ অধীনত উপলব্ধ ঃ

(http://creativecommons.org/;icenses/by-sa/3.0/), অন্যভাৱে উল্লেখ নাথাকিলে। এই অনুজ্ঞাপত্ৰত TESS-ইণ্ডিয়া, OU আৰু UKAID ল’গ’ৰ ব্যৱহাৰ বহিৰ্ভুক্ত যিটো কেৱল মাত্ৰ TESS-ইণ্ডিয়া প্ৰকল্পতহে অপৰিৱৰ্তিতভাৱে ব্যৱহাৰ কৰিব পাৰি।

স্বত্বাধিকাৰীৰ সৈতে যোগাযোগ কৰাৰ সৰ্বতোপ্ৰকাৰ চেষ্টা কৰা হৈছে। যদি কাৰোবাক অনিচ্ছাকৃতভাৱে উপেক্ষা কৰা হৈছে, প্ৰকাশকে প্ৰথম সুযোগতেই প্ৰয়োজনীয় বন্দোবস্ত কৰিবলৈ আনন্দিত হ’ব।

মূল সমলত অৱিহণা যোগোৱাসকল হৈছে ঃ ডেবৰাহ কুপাৰ, বাৰ্থ আৰ্লিং, জ’ মাত্ল’, ক্লেয়াৰ লী, ত্ৰীছ ষ্টাটচ্বাৰি, ফ্ৰেডা ৱলফেণ্ডেন আৰু সন্ধ্যা পাৰাঞ্জপে।